# ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য



অসম প্ৰকাশন পৰিষদ

# তেৰশ বছৰৰ
# অসমীয়া সংস্কৃতিত এভুমুকি

DAMDAMA COLLEGE.
LIBRARY.

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

অসম প্ৰকাশন পৰিষদ

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১

897/A

© অসম প্ৰকাশন পৰিষদ

প্ৰথম প্ৰকাশ
মাৰ্চ, ১৯৭৮

দ্বিতীয় প্ৰকাশ
চেপ্টেম্বৰ, ১৯৮৫

মূল্য ঃ দহ টকা

মুদ্ৰণ ঃ
ৰায়চৌধুৰী প্ৰিণ্টাৰ্চ
লাচিতনগৰ
গুৱাহাটী-৭৮১০০৭

# প্ৰথম সংস্কৰণৰ ভূমিকা

সাধাৰণতে প্ৰচলিত অৰ্থত 'সংস্কৃতি' বুলিলে কেৱল সাহিত্য আদি কলা আৰু বৌদ্ধিক সৃষ্টিসমূহকে বুজোৱা হয়; কিন্তু বহল অৰ্থত 'সংস্কৃতি'য়ে মানৱ-সভ্যতাৰ সকলো দিশকে সামৰি লয়। এনে বহল অৰ্থত আৰু বৈজ্ঞানিক দৃষ্টিত অসমীয়া সংস্কৃতিৰ অধ্যয়ন আৰু আলোচনা বিৰল। সাধাৰণতে আমি যি ধৰণৰ আলোচনা হোৱা দেখা পাওঁ, সেইবোৰ সংস্কৃতিৰ এটা একোটা নাইবা একাধিক দিশৰ ওপৰত হোৱা খণ্ডিত আলোচনা; বৈজ্ঞানিক দৃষ্টিৰে আৰু নিৰ্দিষ্ট পদ্ধতি অনুসৰি তথ্য-পাতিৰ বিশ্লেষণৰ সেইবোৰত অভাৱ।

প্ৰখ্যাত সাহিত্যিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই এই গ্ৰন্থত অসমত বৃটিছ শাসন-ব্যৱস্থা প্ৰবৰ্তনৰ পিছৰপৰা স্বাধীনতাৰ পৰৱৰ্তী কাললৈকে, অসমীয়া সংস্কৃতিৰ ক্ৰমবিৱৰ্তনৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে। এই আলোচনাৰ উল্লেখনীয় বৈশিষ্ট্য হ'ল—নিৰ্ভৰযোগ্য তথ্য-পাতিৰ ভিত্তিত, ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থাৰ লগত সাংস্কৃতিক জীৱনৰ অন্যান্য দিশৰ সম্পৰ্ক ৰক্ষা কৰি, যোৱা ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিৰ বিকাশৰ ধাৰাক চিহ্নিত কৰা। এই উদ্দেশ্যে লেখকে বৃটিছ শাসন-ব্যৱস্থা আৰু ইংৰাজী শিক্ষা প্ৰবৰ্তনৰ পিছৰপৰা অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, শিক্ষাগত, সাহিত্যিক আৰু শিল্প-কলা আদি অন্যান্য দিশত হোৱা বিভিন্ন পৰিবৰ্তনৰ বিষয়ে আলোচনা কৰিছে। ঔপনিবেশিক শাসন আৰু শোষণ-ব্যৱস্থাৰ ফলস্বৰূপে গঢ়ি উঠা পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ মাজত অসমীয়া মধ্যবিত্ত সমাজৰ উত্থান আৰু অসমীয়া সাহিত্য, শিল্পকলা, সাংবাদিকতা আদি বিভিন্ন দিশত এই শ্ৰেণীৰ অৱদানৰ কথাও লেখকে বিশ্লেষণ কৰিছে।

স্বাধীনতাৰ পিছত দেশৰ পৰিবৰ্তিত ৰাজনৈতিক আৰু অৰ্থনৈতিক পটভূমিত অসমীয়া সংস্কৃতিয়ে লাভ কৰা উত্তৰোত্তৰ বিকাশৰ ধাৰাকো লেখকে এই গ্ৰন্থত সামৰিছে।

আমাৰ বিশ্বাস, যোৱা ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিৰ এই বিশ্লেষণাত্মক অধ্যয়নে এই দিশত গভীৰতৰ চিন্তা-চৰ্চাৰ বাট মুকলি কৰিব। অসমৰ সাংস্কৃতিক জীৱনৰ বিষয়ে এনে এটি মৌলিক আলোচনা যুগুত কৰি ডঃ ভট্টাচাৰ্যই আমাক বিশেষভাৱে অনুগৃহীত আৰু অনুপ্ৰাণিত কৰিছে।

আমি গৌৰৱেৰে জনাওঁ যে এই গ্ৰন্থৰ জন্মৰ সৈতে অসমৰ এগৰাকী বিশিষ্টা নাৰী শ্ৰীযুতা পুষ্পলতা দাসৰ নাম সংস্পৃক্তা। চলিহা মন্ত্ৰী-সভাৰ দিনত তেখেত অসম বিধান সভাত সদস্যাৰূপে থকাৰ কালছোৱাত বিধায়কসকলৰ দৰমহা বৃদ্ধি হয়; কিন্তু নীতিগত কাৰণত তেখেতে সেই অৰ্থ নিজৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি এটা সৎকামত বৰ্ধিত ধনখিনি খটুৱাবলৈ মন কৰে। এই উদ্দেশ্যে এদিন তেখেতে অসমৰ সংস্কৃতি বিষয়ক এখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ অনুৰোধ জনাই পাঁচ হাজাৰ টকা প্ৰকাশন পৰিষদলৈ আগবঢ়ায়। এই গ্ৰন্থ সেই সৎ উদ্দেশ্যৰেই ফলশ্ৰুতি।

এই তথ্য আৰু তত্ত্বপূৰ্ণ গ্ৰন্থখনে সমূহ পাঠক, বিশেষকৈ বুদ্ধিজীৱী শ্ৰেণীৰপৰা, উপযুক্ত সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

গুৱাহাটী
ফেব্ৰুৱাৰী, ১৯৭৮

চন্দ্ৰপ্ৰসাদ শইকীয়া

# দ্বিতীয় সংস্কৰণৰ ভূমিকা

মানুহৰ জীৱন-চৰ্যাৰ লগতে নৈতিক আৰু বৌদ্ধিক দিশৰ সুবিকশিত ৰূপকেই বহল অৰ্থত সংস্কৃতি বুলিব পাৰি। অসমীয়া সংস্কৃতি অতি প্ৰাচীন কালৰ পৰাই সমৃদ্ধ। অসমীয়া সংস্কৃতিৰ বিশালতা-ব্যাপকতা লৈ নগৈ বৰ্তমান গ্ৰন্থখনিত অসমত বৃটিছ শাসন-ব্যৱস্থা প্ৰৱৰ্তনৰ পৰা স্বাধীনতাৰ উত্তৰ কাললৈকে সামৰা হৈছে।

গ্ৰন্থখনিৰ প্ৰথম সংস্কৰণটি অতি সোনকালে শেষ হৈ যোৱাত দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰা হ'ল। আমাৰ বিশ্বাস, প্ৰথম সংস্কৰণৰ দৰে গ্ৰন্থখনিৰ দ্বিতীয় সংস্কৰণেও পঢ়ুৱৈ সমাজৰ পৰা সমাদৰ লাভ কৰিব।

গুৱাহাটী
চেপ্টেম্বৰ, ১৯৮৫

চন্দ্ৰপ্ৰসাদ শইকীয়া

# সূচীপত্র


প্ৰথম অধ্যায়

সংক্ৰান্তি কালত এভুমুকি .... ... ১

দ্বিতীয় অধ্যায়

মধ্যবিত্ত শ্ৰেণীৰ উত্থানৰ যুগ .... .... ৪২

তৃতীয় অধ্যায়

ধৰ্ম ... ... ৫৭

চতুৰ্থ অধ্যায়

সাহিত্য .... .... ৬৮

পঞ্চম অধ্যায়

সাংবাদিকতা ... ... ১০০

ষষ্ঠ অধ্যায়

সঙ্গীত আৰু কলা .... ... ১১০

সপ্তম অধ্যায়

তলসৰা ... ... ১৩১

অষ্টম অধ্যায়

তিনিটি পৰম্পৰা ... ... ১৪৭

# প্ৰথম অধ্যায়

## সংক্ৰান্তি কালত এভুমুকি

### এক

সাংস্কৃতিক জীৱন এই শব্দ দুটাৰ অৰ্থ কি ? অতি সাধাৰণ অৰ্থত ই হৈছে নৈতিক আৰু বৌদ্ধিক উন্নতিৰ স্তৰ।[১] আমি এই অৰ্থতে অসমীয়া সংস্কৃতি, ভাৰতীয় সংস্কৃতি, জনজাতীয় সংস্কৃতি আদি খণ্ডবাক্য ব্যৱহাৰ কৰোঁ।

আগৰ কালৰ সৰহভাগ অসমীয়া চিন্তাবিদসকলৰ মাজত বৈজ্ঞানিক সমাজতাত্ত্বিক দৃষ্টিৰে সংস্কৃতি-চৰ্চা কৰাৰ পৰম্পৰা নাছিল বুলিলেই হয়। ইউৰোপীয় সমাজতত্ত্ব অথবা মাৰ্ক্সীয় সমাজতত্ত্ব এটাৰো গভীৰ প্ৰভাৱ স্বীকৃত চিন্তাবিদসকলৰ মাজত পোৱা নাযায়। জোনাকী যুগৰ কোনেও সমাজ আৰু সংস্কৃতিৰ পূৰ্ণ অৱয়বৰ বিচাৰত প্ৰবৃত্ত হোৱা নাছিল। ত্ৰিশৰ দশকৰপৰা ষাঠি দশকলৈকে এইছোৱা কালতো এনে ধৰণৰ আলোচনা অতি তাকৰ। এইছোৱা কালত বিভিন্ন সমাজ-বিজ্ঞানৰ চৰ্চা কিছু বাঢ়ে যদিও সেইবিলাকৰ সমাজত পূৰ্ণ প্ৰয়োগ হোৱা দেখা নাযায়।

ইউৰোপীয় চিন্তাৰ প্ৰভাৱ অনুভূত হোৱাৰ পিছত ৰাজনৈতিক ক্ষেত্ৰত প্ৰথমতে যিবিলাক বিষয়ৰ চৰ্চাত অসমীয়া মধ্যবিত্তৰ প্ৰথমচাম বুদ্ধিজীৱীয়ে মনোযোগ দিয়ে, সেইবিলাক হ'ল বুৰঞ্জী, ভাষাতত্ত্ব, সাহিত্য, পুৰাতত্ত্ব ইত্যাদি। এইবিলাক বিষয় চৰ্চাৰ চালিকা শক্তি আছিল জাতীয়তাবাদ। চাকৰি কৰিবলৈ অহা বৃটিছ নৃতত্ত্ববিদসকলে বিভিন্ন জনজাতিৰ লোক-সংস্কৃতিৰ বিষয়ে খনদিয়েক গ্ৰন্থ লেখে। বুখ, হানে, কনকলাল বৰুৱা আদি পণ্ডিত-সকলে প্ৰাগৈতিহাসিক পুৰাতত্ত্বৰো পাতনি মেলে। কিন্তু এই

---

১ নিউ ইউনিভাৰ্চেল এন্‌চাইক্লপেডিয়া, ২৫০৬ পৃঃ

পণ্ডিতসকলেও সংস্কৃতিক মূল সামাজিক গাঁথনিৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰা নাছিল। পেৰি এণ্ডাৰচনে লেখিছে যে বৃটিছ বিশ্ব-বিদ্যালয় সমূহেও সামগ্ৰিকভাৱে সমাজতত্ত্বৰ চৰ্চা কৰাত গাফিলি কৰিছিল।[২] সাধাৰণতে একোটি জাতিৰ সামগ্ৰিক সাধাৰণ জীৱনৰ সকলো বিষয়কে সংস্কৃতিৰ অন্তৰ্ভুক্ত কৰা হয়।[৩] সাংস্কৃতিক নৃতত্ত্বৰ দৃষ্টিত সংস্কৃতি বুলিলে মানুহে সৃষ্টি কৰা সভ্যতাৰ সকলো অঙ্গই সোমাই যায়।[৪] অকল মানসিক সম্পদসমূহকেই (অৰ্থাৎ সুকুমাৰ কলা আৰু বৌদ্ধিক সৃষ্টিসমূহকেই) এওঁলোকে সংস্কৃতি বুলি নধৰে। মানুহৰ বস্তু-সংস্কৃতিকো ইয়াৰ ভিতৰত সামৰি লয়। ঘাই অসমীয়া পণ্ডিতসকলে ইমান বহল অৰ্থত সংস্কৃতিক বিচাৰ কৰা নাই; তেওঁলোকৰ বৌদ্ধিক জীৱনৰ মূল চালিকা-শক্তি জাতীয়তা বাদহে। পূৰ্ণ সমাজতত্ত্বৰ প্ৰয়োগ কৰি সংস্কৃতিক সামাজিক ব্যৱস্থাৰ উৰ্ধগাঁথনি ৰূপে ব্যাখ্যা কৰিবলৈ সমসাময়িক কালৰ মাৰ্ক্সপন্থীসকলে চেষ্টা কৰি আহিছে। এই ব্যাখ্যা মতে অসমৰ যোৱা এশ বছৰৰ সংস্কৃতি বুৰ্জোৱা সংস্কৃতি: সাম্ৰাজ্যবাদী-পুঁজিবাদী উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ ৰচিত মানস-সম্পদ।

অসমীয়া চিন্তাবিদসকলৰ চিন্তাৰ পটভূমি আছিল অসমীয়া জাতীয়তা। এই মনোভাৱে যোৱা এশ বছৰৰ সংস্কৃতি সাধনাত অবিৰামভাৱে প্ৰেৰণা যোগাইছে। ১৮২৬ চনত বৃটিছে অসম দেশ লোৱাৰ পিছত অন্তৰ্দ্বন্দ্বৰে জৰ্জৰিত আৰু মুমূৰ্ষু অসমীয়া সমাজ ধ্বংসপ্ৰাপ্ত হয়; আহোমৰ ৰাজনৈতিক শাসন লোপ পায় আৰু গাঁৱলীয়া অৰ্থনীতিত ঔপনিবেশিক শোষণ প্ৰৱৰ্তিত হয়। অসম বৃটিছ ভাৰতৰ শাসন-ভুক্ত হোৱাৰ পিছত ইয়াত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন প্ৰৱৰ্তিত হয়। এই কালছোৱাত

---

২ ষ্টুডেণ্ট পাৱাৰ, ২১৯ পৃঃ

৩ নিউ ইউনিভাৰ্চেল এনচাইক্লপেডিয়া, ২৫০৬ পৃঃ

৪ নিউ ইউনিভাৰ্চেল এনচাইক্লপেডিয়া, ৪৮৭-৮৮ পৃঃ

বৃটিছ ভাৰতীয় সদাগৰী পুঁজি খটুৱাই অসমৰ কেঁচামালৰ ওপৰত বেপাৰ আৰু উদ্যোগ আৰম্ভ কৰা হয়।

মাটি পট্টন ব্যৱস্থাৰ সংস্কাৰ সাধি আহোমৰ দিনৰ ডা-ডাঙৰীয়া আৰু সামন্ত মাটি বন্দবস্তি প্ৰথাৰ অৱসান ঘটাই বৃটিছসকলে ন ধৰণে খাজনা তুলিবলৈ লয় আৰু উদ্যোগৰ বাবে সুলভ ব্যৱস্থাত মাটি দিয়াৰ ব্যৱস্থা কৰে। ন ব্যৱস্থাৰ প্ৰৱৰ্তনৰ লগে লগে আইন-শৃখলাৰ বাবে পুলিচ বাহিনী, সাধাৰণ প্ৰশাসন আৰু ন্যায় বিচাৰৰ বাবে নতুন বিষয়া আৰু কেৰাণীৰ এশ্ৰেণীৰ সৃষ্টি কৰা হয়। শাসকসকলে তাৰ বাবে স্কুল আদিৰো প্ৰচলন কৰে। আৰম্ভণিতে অসমীয়া বিষয়া আৰু কেৰাণী নাছিল; ১৮৩৬ চনত স্কুলত শিক্ষাৰ মাধ্যম বঙালী কৰা বাবেও পটু আৰু আত্মবিশ্বাসী এদল লোক ওলোৱাত পলম হয়। তাতে ভগ্ন মনোৰথ অসমীয়া আৰু মণিপুৰী সামন্ত শাসক শ্ৰেণীবোৰে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহো কৰি আছিল; অকল এই শ্ৰেণীবোৰেই নহয়, খাছী, নগা, চিংফৌ আৰু গাৰো আদি পৰ্বতীয়া জনজাতিবোৰেও বৃটিছৰ প্ৰশাসন, বাণিজ্য আৰু ৰাজ্য বিস্তাৰৰ নীতিত অসন্তুষ্ট হৈ বিদ্ৰোহ কৰিছিল। গোটেই বৃটিছ শাসন আৰু দমন নীতিৰ বিৰুদ্ধে হোৱা এইবোৰ বিদ্ৰোহৰ দুৰ্বলতা দেখা গৈছিল তেওঁলোকৰ সামন্ত আৰু জনজাতীয় উৎপাদন ব্যৱস্থাত। বৃটিছে নতুন হাতিয়াৰৰ সহায়ত অসমত চাহ, তেল, কয়লা, চূণমাটি আদি উৎপন্ন কৰিছিল আৰু উন্নত অস্ত্ৰ-শস্ত্ৰৰ সহায়েৰে প্ৰাচীন শাসক-গোষ্ঠীবোৰক পৰ্যুদস্ত কৰিছিল। ইয়াৰ লগে লগে অসম আৰু উত্তৰ-পূব-ভাৰতৰ আন আন অঞ্চলৰ সম্পদ বিভিন্ন প্ৰকাৰে সংগ্ৰহ কৰি বাহিৰলৈ নিছিল আৰু এই অঞ্চলবোৰত ৰাইজক বৃটিছ পুঁজিপতিসকলে প্ৰস্তুত কৰা বিবিধ পণ্য দ্ৰব্যৰ বজাৰৰ গ্ৰাহক হ'বলৈ বাধ্য কৰিছিল। ৰেলৱে, জাহাজ আৰু টেলিগ্ৰাফ আদিৰ প্ৰৱৰ্তন হোৱাত উদ্যোগ, বেপাৰ, প্ৰশাসন আৰু আইন-শৃখলা ৰক্ষাত বৃটিছৰ খুব সহায় হৈছিল।

গুণাভিৰাম বৰুৱা আৰু গেইট চাহাবৰ অসম বুৰঞ্জী দুখনৰ পৰা সংক্ৰান্তি কালৰ যিবিলাক তাৎপৰ্যপূৰ্ণ তথ্য পোৱা যায় সেইবিলাক বিশ্লেষণ কৰি চালেও দেখা যায় যে ইংৰাজৰ শাসনৰ ফলত হোৱা সালসলনিবোৰ আৰু নতুন ব্যৱস্থা হিতকৰ বুলিয়েই তেওঁলোকৰ ধাৰণা হৈছিল। গৌৰীনাথ সিংহৰ দিনত মোৱা-মৰীয়া দমন কৰিবলৈ কেপ্তেইন ৱেলছ অহাৰেপৰা এই দেশৰ শাসক শ্ৰেণীৰ একাংশ লোকৰ লগত ইংৰাজৰ প্ৰতি আন্তৰিক যোগাযোগ আৰম্ভ হয়। কলিয়া ভোমৰা বৰফুকনে পূৰ্ণানন্দ বুঢ়াগোহাঁইক কোচবিহাৰৰ দৰে 'লালবন্দী' দি বৃটিছৰ লগত মিত্ৰতাসূত্ৰত আৱদ্ধ হ'বলৈ উপদেশ দিয়াৰ কথা গুণাভিৰামে উল্লেখ কৰিছে।[৫] গৌৰীনাথ সিংহই কেপ্তেইন ৱেলছক সেনা সহ কিছুদিন ৰংপুৰত থাকিবলৈ কোৱাটোও তাৎপৰ্যপূৰ্ণ কথা। ছাৰ জন শ্বৰ গৱৰ্ণৰজেনেৰেল হৈ দেশীয় ৰাজ্যত হস্তক্ষেপ নকৰাৰ নীতি গ্ৰহণ কৰাৰ ফলত কেপ্তেইন ৱেলছ উভতিব লগা হয়। উভতি যাওঁতে গুৱাহাটীত বহুতো লোকে তেওঁক থাকিবলৈ অনুৰোধ কৰাৰ কথাও তাৎপৰ্যপূৰ্ণ।[৬] বৃটিছ লোণ বেপাৰী মিঃ বৌসৰ পৰা আৰম্ভ কৰি সুনিপুণ শাসন-কৰ্তা ডেভিড স্কটলৈকে শেষ কৰি প্ৰায় ৫৬ বছৰ কাল বৃটিছৰ লগত আহোম শাসক সম্প্ৰদায়ৰ বাণিজ্যিক-কূটনৈতিক যোগাযোগ যথেষ্ট নিবিড় আছিল যেন অনুমান হয়। আনকি বদন বৰফুকনো পোন প্ৰথমে সহায় বিচাৰি বৃটিছ চৰকাৰৰহে ওচৰ চাপিছিল। গোৱালপাৰা আৰু ৰংপুৰত আহোম ৰজা আৰু বিষয়াসকলক বৃটিছে আশ্ৰয় দি মানৰপৰা ৰক্ষা কৰা কথাও এই প্ৰসঙ্গত স্মৰণীয়। বৃটিছৰ

---

৫ আসাম বুৰঞ্জী, পৃঃ ১২৮

৬ এ হিষ্টৰি অব্ আসাম, পৃঃ ২১৮

উদ্দেশ্য যে মূলতঃ ৰাজ্য জয় এই কথা পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বুজি পাইছিল, আৰু সেইবাবে কলিয়াভোমোৰা বৰফুকনৰ প্ৰস্তাৱ তেওঁ প্ৰত্যাখ্যান কৰিছিল।[৭] বেণুধৰ শৰ্মাই ৰচনা কৰা মণিৰাম দেৱানৰ জীৱনীৰপৰাও জনা যায় কিদৰে আৰম্ভণিতে কি বিপুল আশাৰে দেৱানে বৃটিছ চৰকাৰক সহায় কৰিছিল। বৃটিছ গৱৰ্ণমেণ্টেও অসমৰপৰা উভতি যাম বুলিয়েই অসমৰ ৰাইজক কৈছিল। শেষত এই প্ৰতিজ্ঞা পূৰণ নকৰা বাবেই দেৱানইঁতে চিপাহী বিদ্ৰোহত ভাগ লৈছিল।[৮]

যি কি নহওক বিদ্ৰোহীসকল পৰাজিত হ'ল আৰু এচাম বিষয়াই বৃটিছ চৰকাৰৰ লগত সহযোগিতা কৰিলে। ১৯২০ চন পৰ্যন্ত এই বিষয়াসকলৰ সতি-সন্ততি আৰু নব্য শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে বৃটিছ চৰকাৰৰ লগত সনা-পিঠা হৈ থাকি ধীৰ আৰু আধুনিক উন্নতিৰ সপোন দেখিছিল। গুণাভিৰাম বৰুৱাৰ লেখাত এই মনোভাৱ ফুটি উঠিছে,—"গৌৰীনাথ সিংহ স্বৰ্গদেৱে মোৱামৰীয়াৰপৰা উপদ্ৰুত হই কোম্পানীৰ সাহায্য প্ৰাৰ্থনা কৰাত ১৭৯২ চনৰ শেষত লৰ্ড কৰ্ণওৱালিস চাহাবে কাপ্তান ওৱেলসক কিছুমান সেনাৰে ৰজাৰ সাহায্যাৰ্থে পঠিয়ায়। কাপ্তান চাহাবে মোৱামৰীয়াৰ উপদ্ৰৱ নিবাৰণ কৰে আৰু ই দেশৰ প্ৰজাসমূহৰ উপকাৰৰ নিমিত্তে যথেষ্ট ৰূপে গৱৰ্ণমেণ্টে ইয়াৰ কাৰ্য পৰিচালনাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অনুৰোধ কৰে। কিন্তু ১৭৯৪ চনত সৰ্ জন্ শোৰ চাহাব গৱৰ্ণৰ হোৱাত কাপ্তান চাহাবে সসৈন্যে কলিকতালৈ গ'ল। আৰু এই দেশৰ অৱস্থা ক্ৰমে অশুভ হ'ল। সি সময়তে যদি ই দেশ ইংৰাজৰ দ্বাৰা অধিকৃত হ'ল হয়, তেনেহ'লে ইয়াৰ অৱস্থা এতিয়াতকৈ শতগুণে ভাল

৭ আসাম বুৰঞ্জী, পৃষ্ঠা ১২৮

৮ মণিৰাম দেৱান

হ'লহেঁতেন। তাত কোনো সংশয় নাই।"[৯] পুৰন্দৰ সিংহ স্বৰ্গদেৱে ১৮১৯ চনত ইণ্ট ইণ্ডিয়া কোম্পানীক যি আবেদন-পত্ৰ দিছিল তাতো বৃটিছক মান খেদাবৰ বাবে আৰু অসমক কৰদ ৰাজ্য কৰিবৰ বাবে অনুৰোধ কৰা হৈছিল। তেতিয়া দেশ মানৰ অধিকাৰত।[১০]

বৃটিছবিলাক মূলতঃ বেহা-বেপাৰ আৰু উদ্যোগত উৎসাহী আছিল। অসমত চাহ শিল্প পাতি তেওঁলোকে চাহৰ ব্যৱসায়ত ধৰে আৰু তেলৰ উদ্যোগো গঢ়ে। এডৱাৰ্ড গেইটে চাহ শিল্পক অসমৰ যোগাযোগ ব্যৱস্থা উন্নতিৰ বিশেষ হেতু বুলি উল্লেখ কৰিছে। মাটি পট্টন ব্যৱস্থা সংস্কাৰৰ মূলতো ই এটা প্ৰেৰণা আছিল। ১৮২৩ চনত ৰবাৰ্ট ব্ৰ'চে অসমত চাহৰ সন্ধান পায়। চাহ কমিটিয়ে ১৮২৫ চনত অসমৰ চাহৰ ব্যৱসায়িক গুৰুত্ব স্বীকাৰ কৰে। ১৮৩৬ চনত চাহ বাড়ীৰ চুপাৰিণ্টেণ্ডেণ্টে চাহৰ নমুনা তৈয়াৰ কৰে, কিন্তু এই চাহ ব্যৱহাৰৰ উপযোগী নোহোৱাত চীনা উৎপাদনকাৰীৰ সহায় লোৱা হয়। অসমৰ চাহ গছ আৰু চীনৰ চাহ গছৰ গুণাগুণ পৰীক্ষা কৰোঁতে কিছু বছৰ যায়। ১৮৩৭ চনত অসমৰ চাহ গছ উৎপাদনৰ উপযোগী আৰু চীনৰ চাহ গছতকৈ উন্নত বুলি প্ৰতিপন্ন হয়। ১৮৩৯ চনত আসাম চাহ কোম্পানী গঠিত হয় আধা নিযুত ষ্টাৰ্লিং মূলধনেৰে। ১৮৬৬ চনত বৃটেইনে আমদানি কৰা চাহৰ শতকৰা ৯৩ ভাগ চীনৰ পৰা নিয়া হৈছিল; এই ভাগ ১৮৮৬ চনত ৫৯ ভাগলৈ আৰু ১৯০৩ চনত দহ ভাগলৈ নামে। ইংলণ্ডলৈ এই বছৰত শতকৰা ৫৯ ভাগ চাহ ভাৰতৰপৰা নিয়া হৈছিল। ইয়াৰে সৰহ ভাগ চাহ অসমৰপৰা গৈছিল। ১৯০৩ চনত চাহ উদ্যোগত খটুওৱা ধন সৰ্ব্বমুঠ ১৪ নিযুত পাউণ্ড মূলধন হয়গৈ।

৯ আসাম বুৰঞ্জী, পৃঃ ১৫২

১০ ,, ,, পৃঃ ১৫২

স্থানীয় কৃষকৰ খেতিৰ ধানেৰে চাহ বনুৱাৰ চাউল যোগান ধৰাৰ ফলত অসমৰ ভিতৰত এখন বজাৰ হ'বলৈ আৰম্ভ কৰে আৰু বেহা-বেপাৰ বৃদ্ধি পায়। চাহ-বাগিচাত শিক্ষিত শ্ৰেণীৰ একাংশৰ বাবে কামৰ সুযোগ মুকলি হয় যদিও নানা অজুহাতত (ঘাইকৈ স্থানীয় বনুৱাৰ অভাৱ বুলি) তালৈ বৃহৎ সংখ্যক অনা-অসমীয়া বনুৱা বাহিৰৰপৰা অনা হয়।[১১] ডাক্তৰ আৰু কেৰাণী কামৰো বৃহৎ অংশ অনা-অসমীয়া সকলে পাইছিল। বনুৱাসকলক সাকুৱা পতিত মাটিতো বহুৱা হৈছিল আৰু ১৯২৩ চনত এনে লোকৰ হাতলৈ ২,৬৩,০০০ একৰ মাটি হস্তান্তৰিত হৈছিল। ১৮৩৮-১৮৭৪ চনৰ ভিতৰত চাহ উদ্যোগক বিশেষ সুবিধাজনক চৰ্তত মাটি লীজ দিবলৈ কিছুমান নিয়ম কৰা হয়। ১৯২১ চনত অসমত চাহ বনুৱাসকল মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ কি এক ষষ্ঠাংশ বুলি গেইটে উল্লেখ কৰিছে।[১২]

১৮৭৪ চনলৈকে বৃটিছে অসমক বঙ্গদেশৰ পৰাই চলাই আছিল। এই চনতে অসম আৰু ছিলেট জিলাক লৈ সুকীয়াকৈ এখন কমিশ্যনাৰৰ অধীন প্ৰদেশ কৰা হয়। ইয়াৰ আগৰ কালছোৱাত আহোম ৰজা পুৰন্দৰ সিংহৰ ৰাজ্যচ্যুতি, মটক, খামতি, নগা, খাছী, ভুটীয়া, গাৰো আদি জনজাতিসকলৰ দমন আৰু তেওঁলোকৰ বসতি অঞ্চল দখল; সুকীয়া জনজাতীয় শাসন ব্যৱস্থা প্ৰৱৰ্তন; খাজনা বন্দৱস্তি; বিষয়াসকলৰ বন্দী-বেটীসকলৰ মুক্তি; গৌৰীনাথ সিংহ আৰু ৱেলচৰ মাজত হোৱা বাণিজ্য চুক্তি (এই মতে অসমে আমদানি-ৰপ্তানি দ্ৰব্যৰ ওপৰত শতকৰা ১০ ভাগ শুল্ক পাইছিল) আৰু হাদিৰা চকীৰ সীমান্ত বাণিজ্য-কেন্দ্ৰৰ বিলুপ্তি (১৮৩৫ চন); মিলিটেৰী বিষয়াৰ দ্বাৰা শাসন; গড়কাপ্তানি বিভাগৰ সৃষ্টি; সশস্ত্ৰ পুলিচ বাহিনী গঠন আৰু থল-পৰ্বতৰ নামনিত চকী স্থাপন;

---

১১ এ হিষ্টৰি অব্ আসাম, পৃঃ ৪০৩-৪১৩

১২ ,, ,, ,, ,, পৃঃ ৪০১-৪১৩

নতুন বিচাৰ ব্যৱস্থা প্ৰৱৰ্তন আৰু স্থানীয় বিষয়াৰ দ্বাৰা পৰিচালিত পঞ্চায়তৰ লোপ সাধন ; চিপাহী বিদ্ৰোহ দমন ; আলিবাট নিৰ্মাণ আদি কামত বৃটিছসকল ব্যস্ত থাকে। ১৮৩১ চনত গুৱাহাটীত এটি ইংৰাজী বিদ্যালয় আৰু এই সময়তে ঠায়ে ঠায়ে পাঠশালা পতা হয়। চীফ কমিশ্যনাৰৰ প্ৰদেশ হোৱাৰ পাছত অসমত প্ৰশাসনৰো বিস্তাৰ হয়।[১৩]

বৃটিছ চৰকাৰে খেতিৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা নকৰি মাটি বন্দৱস্তি আৰু খাজনা তোলাৰ ওপৰতহে বেছি জোৰ দিছিল। ফলত খেতিৰ উৎপন্ন আশানুৰূপ বৃদ্ধি হোৱা নাছিল। গুণাভিৰাম বৰুৱাই লেখিছে, "শঙ্কৰদেৱৰ সময়ত কৃষিৰ যি প্ৰণালী আৰু আয়োজন আছিল, সিয়েই এতিয়ালৈকে আছে। এতদ্দেশীয় কৃষক মাত্ৰেই কেৱল স্বাভাৱিক উপায়হে আশ্ৰয় কৰে। অতি বৃষ্টি আৰু অনাবৃষ্টিত কোনো অশুভ ফল কেতিয়াও নিবাৰণ নকৰে। কোনো দূৰস্থ জলাশয়ৰপৰা জল সেচন কৰি শুষ্ক ভূমিক উৰ্বৰা নকৰে। অথবা জলমগ্ন ঠাইৰপৰা জল নিঃসাৰণ কৰি সি ঠাইক কৃষিৰ উপযোগী নকৰে। প্ৰায় মাটিতে একপ্ৰকাৰ মাত্ৰ শস্যোৎপাদন কৰে আৰু অসাৰ মাটিক সাৰ দি তাৰ উৰ্বৰত্ব আৰু শস্যৰ গুণ বৃদ্ধিৰ প্ৰতি যত্নশীল নহয়।"[১৪] উৎপাদনৰ আহিলাৰ উন্নতিৰ প্ৰতিও বৃটিছৰ কোনো যত্ন নাছিল। বৰুৱাই লেখিছে, "কৃষিৰ যি যি যন্ত্ৰ সি সকলো সামান্য। আৰু যিসকল সমুদায় ক্ৰয় কৰিলে ৫।৬ টকাৰ অধিক ব্যয় নালাগে। এহাল বলদ গৰুৱে ১০।১২ বিঘা ভূমি কৰ্ষণ কৰিব পাৰি। বাৰ্ষিক সচৰাচৰ তিনিটাৰ অধিক শস্যৰ কৃষি নকৰে। শালিধান, আহুধান আৰু সৰিয়হৰ খেতিয়েই প্ৰধান। ইয়াৰ বাহিৰেও শাক-পাচলি, কুঁহিয়াৰ, মৰাপাট, মাহ, ধপাত প্ৰভৃতিৰো অল্প পৰিমাণৰে খেতি হয়। ......গৰু

---

১৩ এ হিষ্টৰি অব্ আসাম, পৃঃ ৩৪১-৩৭০

১৪ আসাম বুৰঞ্জী, পৃঃ ১৮৭

আৰু ম'হ দুয়োৰো দ্বাৰা হাল বাহন হয়। কিন্তু ইয়াৰ প্ৰতি তদৃশ যত্ন কৰা নহয়।"[১৫] আনহাতে খেলবিলাকৰ অৱসান ঘটাত কুটীৰ শিল্পৰ ধ্বংস সাধন হয়। বৰুৱাই লেখিছে, "আসাম দেশত পূৰ্ব্বে শিল্পবিদ্যাৰ বিশেষ অনুশীলন আছিল, তাত বড় অপটুতা নাছিল। এই দেশৰ কোনো নদীৰ পৰা সুবৰ্ণ গোৱা গইছিল আৰু তাৰে বিস্তৰ সাহায্য হইছিল। নানা প্ৰকাৰ কপাহ, মুগা, এড়ি আৰু পাটৰ কাপোৰ, তাম, পিতল, কঁাহৰ বাচন, সোণ-ৰূপৰ অলঙ্কাৰ, হঁাতীদাত, কঁাঠ-বঁাহৰ বস্তু অনেক অনেক এই দেশত প্ৰস্তুত হোৱাত দেশীয় লোকৰ প্ৰয়োজন সাধন হইছিল। এইসকল কাৰ্য্যৰ নিমিত্তে মানুহৰ খেল আছিল; সেই সেই খেলৰ মানুহে সেই সেই কাৰ্য্যকে কৰিছিল। এই খেল কোনো বৈদিক জাত-ঘটিত নাছিল। এই বিভাগ ব্যৱসায়ানুসাৰে হইছিল। সেই সেই খেলৰ লোকসকলে নিজ ব্যৱসায় কৰিছিল আৰু তাক উন্নত কৰিবলৈ সুযোগ পাইছিল। সি ব্যৱসায়ৰ নিমিত্তে ৰাজকীয় বৃত্তিও পাইছিল অৰ্থাৎ সিসকল লোকে নিজ ব্যৱসায় ৰজাৰ সমীপত উৎসৰ্গ কৰাত ৰজাৰপৰাও নিষ্কৰে ভূমি ভোগৰ অধিকাৰ পাইছিল। তাৰপৰা অন্যান্য লোকৰো উপকাৰ হইছিল। পাছে ব্ৰিটিছাধিকাৰ হোৱাত খেলৰ প্ৰণালী লোপ পালে। সকলোৱে নিজ নিজ ব্যৱসায় এৰি তাৰ উৎপন্ন নিজে ভোগ কৰিবলৈ আৰু ভূমিৰ কৰ দিবলৈ বাধ্য হ'ল। ইফালে বিদেশীয় বস্তু আহিবলৈ ধৰিলে। সুযোগ পাই লোকে বিদেশীয় বস্তুৰ প্ৰতি আদৰ কৰাত দেশীয় শিল্প-কাৰ্য্য লোপ হবলৈ ধৰিছে। হিন্দু জাতিৰ অনুসাৰে যদি জাতি-বন্ধন থাকিলহেঁতেন তথাপি শিল্প-ব্যৱসায়ীৰ অনুৎসাহ নহ'লহেঁতেন। সেই জাতি-বন্ধন শিথিল হোৱাত সি সি ব্যৱসায় লোপ পাবলৈ উজু হ'ল। ... বস্ত্ৰ নিৰ্মাণ এই দেশৰ স্ত্ৰীৰ এটি প্ৰধান কাৰ্য্য। কিন্তু বিদেশীয়

১৫ আসাম বুৰঞ্জী, পৃঃ ১৮৭-৮

সূতা আৰু বস্ত্ৰ সদাই ই দেশলৈ আহি থকাত অনেক স্ত্ৰীয়ে সি কাৰ্যৰ প্ৰতি তাদৃক শ্ৰদ্ধা নকৰে। ব্যৱসায় আৰু পৰিশ্ৰমৰ বিষয়ে অসমীয়া লোকসকলৰ মাজত এক মহা হুলস্থূল হ'ব লাগিছে। কেতিয়া যে ই শেষ হই সমাজ-বন্ধন স্থিৰ হ'ব তাক শীঘ্ৰে অনুমান কৰিব নোৱাৰি।"[১৬]

বৰুৱাই ব্যৱসায়ৰ সম্পৰ্কত লেখা কথাৰ পৰাও অসমীয়া মানুহৰ উৎপন্নতকৈ ব্যয় বেছি হোৱাৰ কথা জানিব পাৰি। "এই দেশীয় লোকে বাঢ়িতে সৰহ ধন প্ৰতি বৎসৰে দিব লাগিছে। কৃষক বিলাকে আপোনাৰ উৎপন্নেৰে ব্যয় নিৰ্বাহ কৰি অতি অল্পমাত্ৰ সঞ্চয় কৰিব পাৰে। অন্য লোকৰ পক্ষে সেই ৰূপেই প্ৰয়োজন সাধিবলৈ যি ঋণ কৰা যায় তাত বিস্তৰ বাঢ়ি দিব লাগে। এই নিমিত্তে দেশীয় লোকে সাধাৰণতে স্বচ্ছন্দ ৰূপে থাকিব নোৱাৰে। ....আমি যি বস্তু ভিন্ন দেশলৈ পঠাওঁ তাতকৈ ভিন্ন দেশৰপৰা যি বস্তু পাওঁ তাৰ মূল্য অধিক। ভাটীৰ ফালৰ ভাল ভাল বস্তুৰ প্ৰতি দেশীয় মানুহৰ মন বৰকৈ যাব ধৰিছে। সেই দেখি আমালোকৰ এক প্ৰকাৰে চালে উৎপন্নতকৈ ব্যয় অধিক। সেই কাৰণে ঋণ আৰু বাঢ়িৰ সংখ্যা কিছু অধিক।"[১৭]

গেইট আৰু বৰুৱা বৃটিছ শাসন যন্ত্ৰৰ অঙ্গ আছিল; কিন্তু গেইট আছিল সম্পূৰ্ণৰূপে বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰতিভূ। তেওঁৰ বুৰঞ্জীত অসমীয়া মানুহৰ আন্তৰিক-সামাজিক জীৱনৰ সংবাদ পোৱা নাযায় বুলিলেই হয়। তাৰ তুলনাত গুণাভিৰামৰ বুৰঞ্জীত সংবাদ কিছু আছে। কিন্তু এই দুয়োখন বুৰঞ্জীতেই অসমত বৃটিছ শাসনৰ সুফল বিলাকৰ কথাকে ঘাইকৈ লিপিবদ্ধ কৰিছে। মাৰ্ক্সে'ও ভাৰতত যন্ত্ৰ প্ৰৱৰ্তন আৰু ৰেলৱে আদি স্থাপনৰ ফলত প্ৰাচীন গ্ৰাম্য অৰ্থনীতিৰ ধ্বংস হোৱাৰ কথা কৈছিল। কিন্তু লগে লগে

---

১৬ আসাম বুৰঞ্জী, পৃঃ ১৯১-২

১৭ „ „ পৃঃ ১৯১-২

দেশত নতুন আমোলা শ্ৰেণী, বুৰ্জোৱা শ্ৰেণী আৰু সৰ্বহাৰা শ্ৰেণী সৃষ্টি হৈ শেহান্তৰত ই বৃটিছ সাম্ৰাজ্যবাদৰপৰা মুক্ত হ'ব বুলি কল্পনা কৰিছিল। মাৰ্ক্সে লেখিছিল: "বাধ্যত পৰি বৃটিছ বুৰ্জোৱা শ্ৰেণীয়ে ভাৰতত যিহকে নকৰক কিয় তাৰ ফলত ৰাইজৰ মুক্তি নঘটে, অথবা তেওঁলোকৰ সামাজিক অৱস্থাৰ উন্নতি সাধিত নহয়। কিয়নো এই দুয়োটা কামেই উৎপাদন শক্তিৰ বিকাশ আৰু সেই শক্তিৰ ওপৰত ৰাইজৰ অধিকাৰ লাভৰ ওপৰত নিৰ্ভৰশীল। কিন্তু এই শ্ৰেণীয়ে ভাৰতৰ সমাজত এই দুয়োটা ক্ৰিয়াৰে যে ভেটি স্থাপন কৰিব সেই কথা সম্পূৰ্ণ নিশ্চিত। বুৰ্জোৱা শ্ৰেণীয়ে ইয়াতকৈনো অধিক কি কাম কৰে? ৰক্তপাত, কু-কাৰ্য, দুঃখ-যাতনা আৰু অৱনতিৰ মাজলৈ টানি নিনিয়াকৈ এই শ্ৰেণীয়ে ক'ৰবাত জানো কিবা উন্নতি সাধিব পাৰিছে? যেতিয়ালৈকে ভাৰতত হিন্দুসকলে নিজ শক্তিৰ বলেৰে বৃটিছৰ শাসন ওফৰাই নেপেলায়, অথবা গ্ৰেট বৃটেইনৰ বৰ্তমানৰ শাসক শ্ৰেণীৰ ঠাইত ঔদ্যোগিক বনুৱা শ্ৰেণী শাসনত অধিষ্ঠিত নহয়, তেতিয়ালৈকে বৃটিছ বুৰ্জোৱা শ্ৰেণীয়ে ভাৰতত প্ৰৱৰ্তন কৰা নতুন ব্যৱস্থা বা উপাদানসমূহৰ ফল ভাৰতবাসীয়ে ভোগ কৰিবলৈ নেপায়। যি কি নহওক, অদূৰ অথবা সুদূৰ ভৱিষ্যতে আমি সেই মহৎ আৰু বিচিত্ৰ দেশৰ পুনৰ জাগৰণ দেখিবলৈ পাম বুলি আশা কৰিছোঁ।"[১৮] এনে দৃষ্টিভঙ্গী আমি অসমৰ কোনো বুৰঞ্জী লেখকৰ লেখাত দেখা নেপাওঁ।

মণিৰাম দেৱানে তেওঁৰ আৰ্জিত অসমৰ খেতিয়কৰ ওপৰত বঢ়া ঋণৰ আৰু খাজনাৰ বোজাৰ বিৰুদ্ধে অভিযোগ কৰিছিল; কুটীৰ শিল্পবোৰ ধ্বংস হোৱাৰ বিশদ বিৱৰণীও তেওঁ দিছিল।[১৯] কিন্তু

---

১৮ ভাৰত বুৰঞ্জীত ডি. ডি. কৌশম্বী, পৃঃ ১৬-১৭

১৯ মণিৰাম দেৱান, বেণুধৰ শৰ্মা

তেওঁ আহোম ৰাজ্য পুনৰ উদ্ধাৰ কৰাৰ সপোনহে দেখিছিল। এই শাসনৰ আধাৰ সামন্ত উৎপাদন ব্যৱস্থাৰ ভেটি ভাঙি পেলোৱাত সেই ৰাজ্য যে পুনৰ পতা সম্ভৱ নাছিল সেই কথা তেওঁ বুজিব পৰা নাছিল। ১৮৫৭ চনৰ ভাৰতৰ সামন্তবাদী বিদ্ৰোহৰ নেতা-সকলৰ সীমাবদ্ধ দৃষ্টিভঙ্গীয়েই ইয়াৰ বাবে দায়ী। গোমধৰ কোঁৱৰ, পিয়লি ফুকন, খাছী, নগা মণিপুৰী, কছাৰী, জয়ন্তীয়া, চিংফৌ আদি জনজাতিসকলে নতুন শক্তিটোক বাধা দিওঁতেও প্ৰায় একো ধৰণৰ দৃষ্টিভঙ্গীৰ সীমাৱদ্ধতা দৰ্শাইছিল। তেওঁলোকে প্ৰাচীন ব্যৱস্থাৰ পুনৰ প্ৰৱৰ্তন কৰিব খুজিছিল।

## তিনি

একমাত্ৰ নতুন আমোলা শ্ৰেণীৰ পুৰোধা আনন্দৰাম ঢেকিয়াল ফুকনে এই অৱশ্যম্ভাৱিতা মানি লৈ অসমৰ এক উদাৰনৈতিক পুঁজিবাদৰ বিকাশ কৰাৰ বাবে অসমীয়া মানুহলৈ এক উদাত্ত আহ্বান জনাইছিল। তেওঁ ১৮৩৭ চনৰ এপ্ৰিল সংখ্যা 'অৰুণোদই'ত 'ইংলণ্ডৰ বিৱৰণ' নামৰ প্ৰবন্ধত এইদৰে লেখিছিল, "হে প্ৰিয় মিত্ৰ-সকল, যদি সভ্য আৰু গিয়ানি আৰু সুখী হ'বৰ বাবে বাঞ্ছা কৰা তেন্তে টোপনিৰপৰা উঠা। ল'ৰাসকল, তোমালোকে আটায়ে একে বাক্য হৈ কাৰো হাক নুসুনি বিদ্যাত আটায়ে চিত আৰু সক্তি দিয়া। জি হেতুক ধনে সোনে গিয়ান দিব নোৱাৰে, পিত্ৰি মাতৃসকল, আটাই কথাকে কাটি কৰি থোআ, সন্তানক ধন আৰ্জিব নিদি, বিদ্যা আৰ্জিব দিয়া, কিন্তু সিহঁত অগিয়ান হৈ জি পাপ কৰে তাৰ দোসে তোমালোককো ধৰিব আৰু তাৰ সলনি ইস্বৰৰ সোধত তোমালোকে দণ্ড নেপাওঁ বুলি নেভাবিবা। ধনৱন্তসকল, তোমালোকেও আজিৰ পৰা উঠা, পূৰ্বৰ প্ৰতিগ্যা এৰা, তোমালোকৰ ধন মাটিৰ তলত মামৰে নষ্ট কৰিব নিদিবা,

কিন্তু দেসত বিদ্যা ব্ৰিধিলৈ ধন ভাঙ্গা, এই উপাই লোআ, দেস অৱস্যে সত্য আৰু গিয়ানি হ'ব।

"দুতিয়্যতে হে মোৰ অসমিয়া মিত্ৰসকল, বিদ্যা যেনেকৈ ইহ-কালত উপকাৰী আন একো তেনে ন হই। কিন্তু যদি সভ্য আৰু সুখী হ'ব খোজা তেন্তে ক্ৰিসি আৰু শিল্প কৰমত ইংৰাজৰ দৰে পাৰ্গত হবলৈ পুৰুসাৰ্থ কৰা। তোমালোক নিচেই অগিয়ান আৰু সেই বিদ্যা ভু নোপোআ। আৰু জানিবলৈকো স্ৰম নকৰা। তোমালোকে ভাপৰ ৰথ, ভাপৰ কল, ভাপৰ নাও ইত্যাদি কৰিব পৰা হ'লে, কেনে সুখি হ'লাহেঁতেন। এতিয়াও তোমালোকৰ সাধ্যৰ বাহিৰ ন হই, তোমালোকৰ ভিতৰত ধনৱন্তসকলে এবেলি মাথোন কিছু ধন ভগন কৰি, ইংৰাজৰ সহাই লৈ, কেইজনমান দেসি ভাইক ক্ৰিসি ৰকমৰ নানা জন্ত্ৰ কৰি তাৰ বেৱহাৰ শ্ৰিকাওক, আৰু নানা আচৰিত আচৰিত ইংৰাজী জন্ত্ৰসকল বুজাওক, ইয়াকে কৰিলে লোকে যদি তাৰ গুণ দেখিলে, তেন্তে তাক নেৰি বৰ্হাকৈহে সিকিব আৰু তেতিয়া দেখিবা, অসম দেস হাবি গুচি ফুলবাৰী হব, ভোঙ্গা গুচি ভাপ নাও হ'ব, আৰু গোটেই দেস ধনমই হ'ব।"

"অসমিয়াসকল, ইংৰাজতকৈ অসভ্য হোৱাৰ ত্ৰিতিয় হেতু কওঁ শুনা। তোমালোকৰ বাণিজ্য অনুসিলন নিচইকৈ নাই, সকলোৱে ধন পুতি থৈ ভাল পাই, কিন্তু জিহৰ পৰা সেই ধনেৰেই ধন হই তাক নিচিন্তে। ইংৰাজৰ সভ্যতাৰ ঘাই এক হেতু বাণিজ্য, এতেকে যদি ধনৱন্ত হব খোজা, তেন্তে সম্প্ৰতি বাণিজ্যত প্ৰৱৰ্ত হোআ। ক্ৰিসি ৰকম নে ৰাহিলে বাণিজ্যও নেবাঢ়ে, সেই নিমিত্তে দুইকো অনুসিলন কৰিবলৈ যতন কৰা।

"কিন্তু হে মোৰ স্বদেসিয় বান্ধৱসকল, আমাৰ দেশৰ দুৰৱস্থাৰ চতুৰ্থ আৰু ঘাই হেতু এই যে তোমালোকে কেৱে দেশৰ হিত নি চিন্তা, কেৱল আপুনি কেনেকৈ ভালে থাকো তাকে হে সদাই ভাবা। ওপৰত যি সকল উপায় দিলো, সেই বিলাকৰ পৰা কি

গুণ হব যদি স্বদেসকে কেৱে মৰম ন কৰিলে।......হে ধনৱন্তসকল তোমালোকে নিশ্চয় জানিবা জে ইস্বৰে ধন সাঁচি থবলৈ, নাইবা আপোন সুখলৈ দিয়া নাই, কিন্তু তাৰে পৰৰ উপকাৰ কৰিবলৈহে দিছে ; এই ভৰ্ত্তসনা বাক্য শুনি অনেক সদ লোকৰ চিত্তে উসাহ পাই. দেশৰ দুৰ্ভাগ্য গুচাবলৈ উঠিব পাৰে, কিন্তু অকলে কি কৰিম বুলি, নৈৰাস নহৈ স্ব স্ব সাধ্যানুসাবে হিত কৰিব, এতেকে আনেও সিবিলাকক দেখি সেই ৰূপে হিত কৰিব ।

"হে কৃপাময় জগদিস্বৰ, এই অসম দেসৰ লোকসকলক স্বদেস সভ্য গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাব আৰু দুৰঅৱস্থা জানিবলৈ সিবিলাকক জ্ঞান দিয়া, আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আগ্যা পালিবৰ জোগ্য কৰা। যি সময়ত অসম হাবি গুচি ফুলবাৰি হ'ব, নৈত ডোঙ্গা গুচি জাহাজ হ'ব, ঘৰ বাঁহৰ গুচি শিল ইটাৰ হ'ব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পঢ়াসালি, গিয়ানৰ সভা, চিকিতসালয়, দুখিয়া দৰিদ্ৰ পৰিত্ৰানৰ আলই হ'ব আৰু জি কালত লোকসকলে পৰস্পৰ হিংসা ন কৰি, আটায়ে আটাইক ভ্ৰাত্ৰিৱত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নি দি লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেটি পাইও কাৰো অন্যায় নকৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেসত ভু নোপোআ হব, সেই সময়, হে পৰম পিতা জগদিস্বৰ সিঘ্ৰ ঘটোআ" ।[২০]

ঢেকিয়াল ফুকনৰ ইচ্ছা আছিল অসমীয়া ল'ৰা জ্ঞানী হওক, কাৰণ জ্ঞান নোহোৱাটো পাপ। দ্বিতীয়তে কৃষি আৰু উদ্যোগত যন্ত্ৰৰ প্ৰয়োগ কৰি উন্নতি সাধিবলৈয়ো জ্ঞান লাগে। কৃষি কৰ্মাদি বাঢ়িলে বাণিজ্য কৰ্ম বঢ়াবলৈ ভাল হ'ব আৰু এই বাণিজ্য কৰিবলৈ অসমীয়া

---

২০ অৰুণোদই সংবাদপত্ৰৰ সংবাদ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য পৃঃ ৬২ ; 'ৰাধানাথ চাংকাকতী' নামৰ গ্ৰন্থ দ্ৰষ্টব্য।

ধনৱন্তসকলে সঞ্চিত ধন তাত খটুৱাব লাগিব। অসমত পঢ়াশালি, চিকিৎসালয়, পৰিত্ৰাণৰ আলয়, যন্ত্ৰচালিত জাহাজ, উন্নত ঘৰ, জ্ঞানৰ চৰ্চা, মাদক দ্ৰব্য বৰ্জন জাতীয়ভাৱ আৰু সুনীতিৰ প্ৰৱৰ্তন হ'লে অসমখন অৰণ্যৰ ঠাইত ফুলনি বুলি পৰিগণিত হ'ব। এইটো যে এখন উন্নত পুঁজিবাদী সমাজ গঢ়াৰ সপোন আছিল সেই বিষয়ে বিন্দু মাত্ৰও সন্দেহ নাই। কিন্তু ই এটা প্ৰাৰ্থনা স্বৰূপহে। বৃটিছ সাম্ৰাজ্যবাদীসকলে যে কৃষিক অনুন্নত, 'কুটীৰ শিল্প ধ্বংস আৰু মণিৰাম দেৱানৰ দৰে অসমীয়া উদ্যোগী লোকক উদ্যোগ স্থাপনত বাধা দিছিল, সেই কথাৰ সাৰমৰ্ম তেওঁ বুজিব পৰা নাছিল। মাৰ্ক্সৰ দৰে তেওঁ উপলব্ধি কৰা নাছিল যে ভাৰতৰ সৰ্বাঙ্গীণ উন্নতি উৎপাদন শক্তিৰ বিকাশতেই নিহিত নাছিল, উৎপাদন-সম্পৰ্কৰ পৰিবৰ্তনৰ প্ৰথম খাপ হিচাপে সাম্ৰাজ্যবাদৰ বিতাৰণৰ ওপৰতো সমানে নিৰ্ভৰশীল আছিল।

কিন্তু এই উদাত্ত আহ্বান অথলে যোৱা নাছিল। যোৱা এশ বছৰতকৈয়ো অধিক কাল অসমীয়া মধ্যবিত্ত বুদ্ধিজীৱীসকলে এই আহ্বানক নৱজাগৰণৰ বাণীৰ মৰ্যাদা দি আহিছে। তেওঁক অসমীয়া জাতীয়তাবাদৰো জন্মদাতা বুলিব পাৰি। ১৯২০ চন পৰ্যন্ত এই জাতীয়তাবাদেই অসমীয়া সাহিত্য, বুৰঞ্জী ৰচনা আৰু শিক্ষা প্ৰসাৰত প্ৰেৰণা জগাই আহিছে। এই আহ্বানত থকা ধৰ্ম আৰু ঈশ্বৰ অনুৰাগেও তেওঁৰ পিছৰ অসমীয়া চিন্তাবিদসকলক প্ৰেৰণা যোগাইছিল বুলি আমাৰ ধাৰণা। পুৰুষাৰ্থক তেওঁ ঈশ্বৰ বিশ্বাসৰপৰা নিলগাই চোৱা নাছিল। স্বদেশ-প্ৰেমো ঈশ্বৰ প্ৰেমৰে অঙ্গ আছিল বুলি অনুমান হয়।

খুব কম অসমীয়াই উন্নত কৃষি, উন্নত উদ্যোগ আৰু বাণিজ্য অনুশীলনত মন দিছিল। কিছু অসমীয়াই চাহ বাগিচা খুলিছিল। মণিৰাম দেৱান, বি-এ জগন্নাথ, সোমেশ্বৰ শৰ্মা, নাৰায়ণ বেজবৰুৱা, কে. কে. বৰুৱা, ৰাধা সন্দিকৈ, চন্দ্ৰ আগৰৱালা, নীলাম্বৰ দত্ত আদিকে

ধৰি কেইবাজনো উদ্যোগী লোকে কৰা চাহৰ ব্যৱসায়ৰ লেখ লব পাৰি। কিন্তু কোনোজনেই উন্নত বৃটিছ বাগিচাবোৰৰ লগত ফেৰ মাৰিব পৰা নাছিল। মাণিক চন্দ্ৰ বৰুৱা, ভোলা নাথ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে কাঠৰ ব্যৱসায় কৰাৰ কথা আমি জানো। মূলধনেই আছিল বিৰাট সমস্যা। কৃষ্ণনাথ শৰ্মাৰ আত্ম-জীৱনীত তেওঁৰ দেউতাকে কেনেকৈ ওকালতিৰ ধন খটুৱাই মেলেঙৰ লেটেকুজানত ফি চিম্পোল গ্ৰাণ্ট লৈ বাগান খুলিছিল, তাৰ উল্লেখ কৰিছে। কিন্তু এই গ্ৰাণ্টটো সামান্য অসুবিধাৰ বাবে তেওঁ ১৮৯২।৯৩ চনত চাহাবক বেচি দিয়ে। দেখা যায় এটা বাটৰ অভাৱতেই এনে কৰিব লগা হ'ল। লেটেকুজান বাগান পিছলৈ বিৰাট চাহ বাগানত পৰিণত হয়গৈ। নাৰায়ণ বেজবৰুৱাই সেই সময়ত বাগিচা খুলি বিপদত পৰিছিল। কৃষ্ণ শৰ্মাই লেখিছে, "তেওঁ দেউতাৰপৰা পাঁচ হেজাৰ টকা ধাৰলৈ নিয়ে। চন্দ্ৰ কমল বেজবৰুৱাই মোক কৈছিল সেই টকা নোপোৱা হ'লে তেওঁলোকে বাগিচা ৰাখিব নোৱাৰিলেহেঁতেন। চন্দ্ৰকমল বেজবৰুৱাই সেই টকা হাতত লৈ তেওঁৰ বুদ্ধিৰ প্ৰভাৱত হবলগীয়া লক্ষ্মীক ৰক্ষা কৰিলে।" ইয়াৰ পিছত কৃষ্ণ শৰ্মাৰ দেউতাকে গাভৰু পৰ্বতৰ ওচৰৰ নৰাজান নামৰ বাগান এখন কিনে। এই নৰাজান বাগানো শেষলৈ পৰিচালনাৰ অভাৱত অচল হ'ল আৰু শেষত জাঁজী কোম্পানীয়ে গ্ৰাস কৰিলে। শৰ্মাই লেখিছে, "মৌজাদাৰক চৰকাৰী খাজনা দিয়েই কোম্পানীয়ে বাগান দখল কৰিলে। ইফালে নৰাজান বাগান আমাৰ ঘৰৰ কাৰণে শিল হৈ নিজেও ডুবিলে আৰু আমাৰ ঘৰ সম্পতিও ডুবালে।"[২১] গবৰ্ণমেণ্টও আসাম টি কোম্পানী আদি কৰি আন আন বৃটিছ কোম্পানীবোৰৰ প্ৰতি বিশেষ অনুগ্ৰহ দৰ্শাইছিল। বৃটিছসকলেই চাহৰ উদ্যোগ, মূলধন, প্ৰশাসন আৰু বজাৰ নিয়ন্ত্ৰণ কৰিছিল। গতিকে খুব কম অসমীয়া

---

২১ কৃষ্ণ শৰ্মাৰ ডায়েৰী, পৃঃ ৭২৬

মানুহে চাহ খেতি কৰি সফল হৈছিল, আৰু যিকেইজন সফল হৈছিল তেওঁলোকৰ সমুদায় মূলধন বৃটিছ মূলধনৰ তুলনাত নগণ্য আছিল ।[২২]

ইয়াৰ বাহিৰে তেল উদ্যোগ, কয়লা উদ্যোগ, কাঠ উদ্যোগ, ৰেলৱে উদ্যোগ, জাহাজ কোম্পানী আদি প্ৰায় অসমৰ সকলো উদ্যোগতে বৃটিছ মূলধনেই খটুওৱা হৈছিল ।[২৩] ১৯০১ চনত কয়লা উদ্যোগত ৩,৬০,০০০ পাউণ্ড খটুওৱা হৈছিল; কিন্তু এই মূলধন আসাম ৰেলৱে আৰু ট্ৰেডিং কোম্পানীৰ মুঠ মূলধন ১০,০০,০০০ পাউণ্ডৰ অংশ বিশেষ মাত্ৰ আছিল । কাৰণ এই কোম্পানীয়েই এই কয়লা খনিবোৰ চলাইছিল । ১৯০৫ চনত এই কোম্পানীয়েও তেল উদ্যোগত ৩,১০,৫০০ পাউণ্ড খটুৱাবৰ বাবে দিহা কৰিছিল ।[২৪] বৃটিছ ভুতত্ত্ববিদসকলে সোৱণশিৰি আৰু চিচি, বুঢ়ীদিহিং, জঙ্গল পানী, টেঙ্গাপানী, দিবং, দিহিং আৰু ব্ৰহ্মপুত্ৰ নৈৰপৰা সোণ উদ্ধাৰৰ বাবে বিশেষ যত্ন কৰিছিল । আহোমৰ দিনৰ লো উলিওৱা পদ্ধতিবো তেওঁলোকে অনুসন্ধান চলাইছিল । দিৰপাইৰ পৰা এওঁলোকে ৮½ টন, বালিৰপৰা ৭½ dwt পৰিমাণৰ সোণ উলিয়াবলৈ সমৰ্থ হৈছিল আৰু মন্তব্য কৰিছিল যে অসমৰ সোণ উত্তম ।[২৫]

লক্ষীমপুৰ জিলাৰ ঔদ্যোগিক মূলধনৰ বিষয়ে এলেন চাহাবৰ মন্তব্য বিশেষভাৱে প্ৰণিধান যোগ্য । তেওঁ লেখিছে, "চাহ শিল্প প্ৰায় বৃটিছ মূলধনৰ দ্বাৰায় পৰিচালিত; স্থানীয় লোকৰ যদি এক একৰৰ খেতি থাকে, তেন্তে বৃটিছৰ ৪০ একৰৰ খেতি থাকিব । কয়লা খনি, তেল খাদ আদিয়ে দৰ্শায় কিদৰে হাবিৰ

২২ আসাম বুৰঞ্জী, পৃঃ ১৮৮
২৩ ডিষ্ট্ৰিক্ট গেজেটিয়েৰ অব লক্ষীমপুৰ (১৯০৫). পৃঃ ১৯৩
২৪ „ „ „ „ „ পৃঃ ১০৪
২৫ „ „ „ „ „ পৃঃ ২০০-১

পৰা সম্পদ উলিয়াব পাৰি। জিলাৰ থলুৱা লোকসকলে মহা-প্ৰলয়ৰ ধ্বংস কাল পৰ্যন্ত কিজানি এইবোৰ সম্পদত হাত নিদিলেহেঁতেন। কাঠৰ মিল, মাৰ্ঘেৰিটাৰ ইটা আৰু কুমাৰশাল অথবা ডিব্ৰুগড়ৰ ৰেলৱে ৱৰ্কশ্বপ সকলো চাহাবৰ হাতত।" স্থানীয় লোকৰ হাতত এৰী, পাট, তাঁতৰ কাপোৰ, নিম্নখাপৰ মাটিৰ বাচন, দা-কটাৰী আৰু কাঁহ-পিতলৰ বস্তু বনোৱা কুটীৰ শিল্প আছিল। কিন্তু এইবোৰ ইবোৰৰ তুলনাত নগণ্য। কেইবাশও ইউৰোপীয় লোকে উক্ত ডাঙৰ উদ্যোগবোৰত জীৱিকা উলিওৱাৰ উপৰিও মূলধনৰ বাঢ়ি হিচাপে বহুত টকা ইংলণ্ডলৈ লৈ গৈছিল।[২৬] এই মন্তব্য আন আন জিলাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি।

অন্নদা ঢেকিয়াল ফুকন আৰু মানিক বৰুৱাৰ 'বৰুৱা-ফুকন ব্ৰাদাৰ্চ'ৰ বেহা-বেপাৰৰ কথা বেজবৰুৱাই তেওঁৰ জীৱন-চৰিতত উল্লেখ কৰিছে।[২৭] এই কাঠৰ ব্যৱসায় অকালতে শেষ হয়। ইয়াৰ মেনেজাৰ বি. বৰুৱাই পিছত বেজবৰুৱাৰে সৈতে কলিকতাত কাঠৰ ব্যৱসায় কৰাৰ কথা বেজবৰুৱাই পৰিপাটিকৈ উল্লেখ কৰিছে। দেখা যায় যে এই ব্যৱসায় ডাঙৰ ইউৰোপীয় কাঠ সদাগৰসকলৰ পালি ব্যৱসায় ৰূপেহে চলিছিল। এই ব্যৱসায়ো ভোলা বৰুৱাৰ মৃত্যুৰ লগে লগে পৰালি পৰে আৰু বেজবৰুৱায়ো টানি-মুনি নিজৰ জীৱিকা উলিয়াব লগা হয়। গতিকে ব্যৱসায়ৰ ক্ষেত্ৰতো অসমীয়া মানুহৰ সংখ্যা নিচেই তাকৰ আছিল। চাহাব সাউদ-সকলৰ একচেটিয়া ব্যৱসায়ৰ লগত ফেৰ মাৰি তিষ্ঠি থকাও যথেষ্ট টান কাম আছিল। আৱশ্যকীয় আৰু বিলাসী দ্ৰব্যৰ আমদানি-ৰপ্তানি বেপাৰ আৰু খুচুৰা বেপাৰতো অসমীয়া মানুহ কম আছিল। বৰপেটা, শুৱালকুচি আৰু সৰ্থেবাৰীৰ পৰম্পৰা-গত হাঁতীদাত, এৰী-পাট আৰু কাঁহ-পিতলৰ বাচনৰ বেপাৰত

২৬ ডিষ্ট্ৰিক্ট গেজেটিয়েৰ অৱ লক্ষীমপুৰ (১৯০৫), পৃঃ ২০২
২৭ বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ৩৮৯

কিছু লোক লাগি আছিল আৰু আছেও। কিন্তু এই ব্যৱসায়বোৰে অৰ্থনৈতিক ব্যৱস্থাত বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। ঘাই বেপাৰবোৰ চাহাবৰ হাতত আছিল, কিন্তু মাৰোৱাৰী-সকলেও অসমত গোলা খুলি গেলামাল আৰু অন্যান্য বস্তুৰ ব্যৱসায় চলাইছিল। ৰুদ্ৰৰাম বৰদলৈৰ ১৮৭১ চনত ৰচিত 'বঙাল-বঙালনী' নাটত বঙালী আৰু হিন্দী ভাষী মানুহেও দোকান দিয়াৰ কথা জনা যায়।[২৮] এই দেশী ব্যৱসায়ীসকলৰ ভিতৰত ব্যৱসায়িক মূলধন ৰাজস্থানীসকলৰে সৰহ আছিল। এওঁলোকে খাদ্য শস্য খেতিয়কৰপৰা কিনি লৈ বাহিৰলৈ চালান দিয়াৰ উপৰিও স্থানীয় গ্ৰাহকসকলক বেচিছিল। আমদানি আৰু ৰপ্তানি বেপাৰ এওঁলোকৰ হাততেই আছিল। নগাঁৱলৈ এই সময়ত আমদানি কৰা দ্ৰব্য আছিল মাহ, খাদ্যদ্ৰব্য, সূতা, কাপোৰ, ছাতি, চেনি, লোণ, কানি, ঘিউ, কেৰাচিন, অন্যান্য তেল আৰু 'হাৰ্ডৱাৰ' (অৰ্থাৎ বাচন)। ৰপ্তানিৰ দ্ৰব্য আছিল কপাহ, লা, পাটপলু, জলকীয়া, কঠ, খেৰ, ৰবৰ, এঠা আৰু অৰণ্য-সম্পদ। চাহবাগান আৰু নগৰবোৰত দোকান খুলি এওঁলোকে প্ৰচুৰ লাভ কৰিছিল আৰু খেতিয়কক আকালৰ সময়ত ঋণ দি সৰহ সুতত ধন আদায় কৰিছিল। ১৯০১ চনৰ ৰিপৰ্ট মতে নগাঁও জিলাৰ আধাতকৈয়ো গাঁৱলীয়া মানুহ ঋণী আছিল। এই ঋণবোৰৰ বাবে মহাজনে শতকৰা ৩৭.৫ৰ পৰা ৭৫ ভাগকৈ মূলধনত সুত লৈছিল।[২৯]

বৃটিছসকলৰ নথী-পত্ৰত অসমৰ খেতিয়ক আৰু বনুৱাৰ ওপৰত হোৱা শোষণৰ তথ্য সৰহ পাবলৈ নাই। বৃটিছৰ দিনৰ ডিষ্টিক্ট গেজেটিয়েৰবোৰত পোৱা যায় অসমীয়া খেতিয়ক সোৰোপা

২৮ এই নাটকখনৰ এটা হস্তলিপি গুৱাহাটীৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত আছে।

২৯ ডিষ্টিক্ট গেজেটিয়েৰ, নগাঁও (১৯০১), পৃঃ ১৬৩; ১৭৬-৭৭ পৃষ্ঠাত চাওক।

আৰু তেওঁলোকৰ মাজত চাহ বাগানত কাম কৰিবলৈ ওলোৱা বনুৱাৰ অভাৱ। সেইকাৰণেই বোলে অসমলৈ বাহিৰৰপৰা বনুৱা আনিব লগা হৈছিল। কিন্তু প্ৰকৃততে কম বানচত অৰু গিৰ-মিট প্ৰথাৰ নিকৃপকপীয়া বান্ধোনত ৰাখিব পৰা এশ্ৰেণী বনুৱাক চাহ শিল্পত নিযুক্ত কৰি অধিক লাভ কৰাই ইংৰাজসকলৰ উদ্দেশ্য আছিল। নগাঁও জিলাৰ খাজনা তোলাৰ ৰেহ-ৰূপ চালে দেখা যায়, ১৮৫২-৫৩ চনত প্ৰতি একৰে খাজনা তোলা হৈছিল দশমিক ৮ টকাকৈ, আৰু ১৯০২-৩ চনত তোলা হৈছিল ১.৮ টকাকৈ। ইয়াৰপৰা বুজা যায় ৪০ বছৰত মুঠতে শতকৰা ২০০ ভাগকৈ খাজনা বৃদ্ধি হৈছিল।[৩০] এই খাজনা বৃদ্ধিৰ কোনো যুক্তিসঙ্গত কাৰণ বিচাৰি পোৱা নাযায়। চৰকাৰে খেতিৰ বাবে উন্নত হাতিয়াৰ আৰু জলসিঞ্চনাদিৰ ব্যৱস্থা কৰা নাছিল। এই খাজনাৰ টকাৰে মাথোন চাকৰিয়ালৰ দৰমহা, বানচ আৰু প্ৰশাসনৰ খৰচ উলিওৱা হৈছিল। দৰমহা আৰু বানচৰ সৰহ ভাগ চাহাব বিষয়া সকলেই পাইছিল। গাঁৱলীয়া অঞ্চলবোৰ উন্নত কৰিবৰ বাবে চৰকাৰে বিশেষ একো কৰাৰ প্ৰমাণ পোৱা ন'যায়। বান-পানী নিবাৰণৰ বাবেও চৰকাৰে একো বুজন ব্যৱস্থা লোৱা নাছিল। স্বাস্থ্যৰ ব্যৱস্থাও নাছিল বুলিলেই হয়। ১৯০১ চনত নগাঁও জিলাত মুঠতে ১০ টা দেৱাইখানা আছিল; ১৮৯১-১৯০১ চনৰ কালছোৱাত প্ৰতি মাইলত গড়ে ২৪ জনৰ জন্ম আৰু ৪৫ জনৰ মৃত্যু হৈছিল। উক্ত কালছোৱাত প্ৰতি হেজাৰ লোকত ল'ৰা-ছোৱালীৰ সংখ্যা কমি ৩২৯ ৰ পৰা ৩১৩ জনলৈ নামিছিল। চাহ বাগিচাৰ বনুৱাসকলৰ অৱস্থা পানীত হাঁহ নচৰা আছিল। সাধাৰণ খেতিয়ক-বনুৱাৰ ঘৰ-দুৱাৰ সৰু, ঘোপ মৰা আৰু বতাহ চলাচলৰহিত আছিল। মানুহে খাট বা বাহৰ চাং আদিত শোৱাতকৈ চেঁচা মাটিৰ মজিয়াত পৰি ভাগৰ পলুৱাইছিল। তেওঁলোকৰ

৩০ ডিষ্ট্ৰিক্ট গেজেটিয়েৰ, নগাঁও, পৃঃ ১৮৬

কাপোৰ-কানি গৰম কালিৰ বাবে উপযোগী হ'লেও জাৰকালিৰ বাবে যথেষ্ট নাছিল। বহুতেই ঠাণ্ডাত কষ্ট পাই ৰুগীয়া হৈ মৃত্যুৰ মুখত পৰিছিল। গাঁও আৰু ঘৰত স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা একেবাৰেই নাছিল বুলিলেই হয়। জাবৰ-জো'থৰ পেলোৱাৰ সু-ব্যৱস্থাৰ অভাৱ আছিল আৰু পাইখানা একেবাৰেই নাছিল। তেওঁলোকে বিলৰ বা পুখুৰীৰ পানী খাইছিল, কিন্তু সেই পুখুৰীতে গা আৰু কাপোৰ-কানিও ধুইছিল। এইবিলাকৰ ফলত মানুহৰ মৃত্যুৰ হাৰ অধিক হৈছিল।[৩১]

শিক্ষাৰ প্ৰসাৰো খুব মন্থৰ গতিত চলিছিল, আৰু ১৯০০-১ চনত হাইস্কুলত ৪৩০ জন, পাঠশালা স্কুলত ৪,০৬৩ জন ছাত্ৰ আছিল। শতকৰা প্ৰায় ১·৫ জন মানুহেহে তেতিয়া শিক্ষা পাইছিল।[৩২] এই শিক্ষা কেৰাণী তৈয়াৰ কৰাৰ বাবেহে দিয়া হৈছিল আৰু উৎপাদনমুখী নাছিল। জিলাখনত পটু কাৰিকৰৰ অভাৱ[৩৩] থকা সত্ত্বেও কোনো টেকনিকেল শিক্ষাৰ বাবে দিহা কৰা হোৱা নাছিল, আৰু ফলত লোকেল বৰ্ড আৰু পি-ডব্লিউ-ডিৰ কামৰ বাবে বনুৱাৰ অভাৱ ঘটিছিল। বিভিন্ন কাৰণত মাদক দ্ৰব্যৰ সেৱন জিলাখনত অবাধে বৃদ্ধি পাইছিল আৰু ১৮৭৩-১৯০০ চনৰ ভিতৰত অনুমতি-প্ৰাপ্ত মদৰ দোকানৰ সংখ্যা ৪ খনৰপৰা ১৯ খনলৈ বৃদ্ধি পাইছিল; এইদৰে দোকান বৃদ্ধিৰ ফলত ১৮৭৩-৭৪ চনত যি মদৰ আয় ২৯৪৪ টকা আছিল, ১৮৯৯-১৯০০ চনত সেই আয় ২৫,২৯২ টকালৈ বৃদ্ধি পাইছিল।[৩৪] বৃটিছ শাসনত মদপীৰ সংখ্যাই যে বৃদ্ধি পাইছিল এনে নহয়, কানীয়াও বাঢ়িছিল। কেপ্টেইন ৱেলছৰ দিনত কানিৰ খেতি অসমত আৰম্ভ হয় আৰু কানি বৰ্জন আন্দোলন

---

৩১ ডিষ্ট্ৰিক্ট গেজেটিয়েৰ নগাঁও (১৯০১), পৃঃ ২১১-১২
৩২ ,, ,, ,, ,, পৃঃ ২০০
৩৩ ,, ,, ,, (৯০১), পৃঃ ২০৫
৩৪ ,, ,, ,, পৃঃ ১৯৪

প্ৰবল নোহোৱালৈকে অসমত কানিৰ কু-প্ৰভাৱ ধ্বংস কৰিবৰ বাবে বিশেষ যত্ন হৈছিল বুলি ক'ব নোৱাৰি। ১৮৬০ চনত কানি খেতি বন্ধ কৰা হৈছিল যদিও, কানি যোগান আৰু বেচা বন্ধ হোৱা নাছিল। ট্ৰেজাৰীৰপৰা কানি বেচা প্ৰথা প্ৰৱৰ্তন কৰাৰ ফলত কানিৰ দাম ক্ৰমাৎ বৃদ্ধি পাই (১৮৬২ চনত) সেৰে ২০ টকাৰ পৰা গৈ (১৮৯১ চনত) সেৰে ৩৭ টকা হৈছিল। কানিৰ প্ৰচলন কিছু কমিলেও কানিৰপৰা হোৱা আয় যথেষ্ট আছিল। নগাঁৱৰ ৰাজহৰ ৩/৮ ভাগ ধন কানিৰপৰা উঠিছিল আৰু জিলাখনৰপৰা আদায় হোৱা আবকাৰী কৰৰ ৫/৬ ভাগ কানিৰপৰা উঠিছিল।[৩৫] জিলাখনৰ মজুৰিৰ হাৰৰ তুলনাত বস্তুৰ দাম অধিক হৈছিল; যি সময়ত উচ্চতম মজুৰি ছয় অনা আৰু নিম্নতম মজুৰি এক অনা আছিল. সেই সময়ত প্ৰয়োজনীয় বস্তুৰ দাম বৃদ্ধি পাইছিল। এই বিলাকৰপৰা জনসাধাৰণৰ অৰ্থনৈতিক, নৈতিক আৰু স্বাস্থ্যজনিত পৰিস্থিতিৰ যে অৱনতি ঘটিছিল তাক সহজে অনুমান কৰিব পাৰি। এনে অৱস্থাত পুৰণি গাঁৱলীয়া সংস্কৃতিবো অৱনতি ঘটিছিল। মাত্ৰ লাহে লাহে গঢ়ি উঠা অল্পসংখ্যক চহৰীয়া ন মধ্যবিত্ত লোকে এটা নতুন সংস্কৃতি গঢ়াৰ বাবে সুযোগ সুবিধা পাইছিল।

চাহ আৰু অন্যান্য শিল্পৰ পট্টনৰ লগে লগে এশ্ৰেণী বনুৱাও নকৈ গঢ় লৈ উঠিছিল। এইসকল বনুৱাৰ অৱস্থাৰ বিষয়ে স্বাধীনতা আন্দোলনৰ নেতা ত্যাগবীৰ ৺হেমচন্দ্ৰ বৰুৱাই এটি প্ৰবন্ধ লেখি তাত তেওঁলোকৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ চিত্ৰ দাঙি ধৰিছিল। তেওঁ লেখিছিল, "বাগিচাৰ চাৰি-সীমাৰ ভিতৰত বনুৱাৰ বাহিৰে আনৰ প্ৰৱেশ নিষেধ, কিজানি ভাবৰ বীজ পৰিলে নিমাত বনুৱাবিলাক সজাগ হৈ উঠে। চাহ বাগিচাৰ ভিতৰৰ বাটেদি গ'লে ছাতি জপোৱা আৰু ঘোঁৰা বা বাইচিকোলৰপৰা নমোৱা কথা অসমৰ ৰাইজৰ অবিদিত

৩৫ ডিষ্ট্ৰিক্ট গেজেটিয়ৰ, নগাঁও, পৃঃ ১৯৬-৯৭

নহয়। এনে নকৰিলে চাহ বাগিচাৰ অখণ্ড প্ৰতাপ কালা-আদমিৰ আগত কিজানিবা হীন হয়। এই বনুৱাৰ মাজত সোমাই সিহঁতক সংঘবদ্ধ কৰি সিহঁতৰ ন্যায্য অধিকাৰ দাবী কৰিবলৈ শিকোৱা অসম্ভৱ ব্যাপাৰ, কাৰণ বাগিচাত সোমোৱাই অনধিকাৰ প্ৰবেশ।"[৩৬] তেওঁ দিয়া তথ্যবোৰ তাতোকৈও কৰুণ। ১৯২৭-২৮ চনত বৃটিছ বনুৱা চৰকাৰৰপৰা কৰোৱা অনুসন্ধানত মিঃ টাৰ পাৰ্চেল আৰু হলছৱার্থে অসমৰ চাহ বনুৱা সম্পৰ্কে তেনে দিয়া তথ্যবোৰ দাঙি ধৰে—

(১) এটা বনুৱা পৰিয়ালৰ বাপেক, মাক আৰু পুতেকে দৈনিক কেৱল এক চিলিং তিনি পেন্সহে আয় কৰে।

২) গিৰমিট প্ৰথা যোৱাৰ পিছতো দাস-প্ৰথা ৰহিত হোৱা নাছিল। বনুৱাসকল মুক্ত নহয়। এজন চাহ বনুৱাই কাৰোবাৰ বাবে দাসত্ব কৰিবই লাগে; এজন মালিক এৰিলে আন এজনৰ দাস হ'ব লাগে। বনুৱাৰ বানচ সম্পৰ্কে সকলো মালিকেই একে নীতিকে অনুসৰণ কৰি চলে।

(৩) অসমত চাহ উৎপাদনকাৰী দহ লাখ লোকে হাড় ভগা পৰিশ্ৰম, আহাৰৰ অভাৱ আৰু দুৰ্দশাত ভুগিও বহুত দিন ধৰি চাহ উৎপাদন কৰি আহিছে।

এই বনুৱাসকলে অকল যে বানচেই কম পায়, এনে নহয়, খোৱা বস্তু আৰু খৰি আদি দ্ৰব্য ক্ৰয়ৰ বাবে মালিকৰ ওচৰত সদায় ধৰুৱা হৈ থাকিব লাগে বুলি আন এজন পৰ্যবেক্ষকে মত প্ৰকাশ কৰিছিল।[৩৭]

---

৩৬ ত্যাগবীৰ স্মৃতি গ্ৰন্থ, পৃঃ ২৮৭

৩৭ " " " পৃঃ ২৮৮

## চাৰি

বৃটিছ প্ৰশাসক আৰু বুৰঞ্জীবিদসকলে সাম্ৰাজ্যবাদী অপকৰ্ম আৰু অন্যায়ৰ কথা সদায় গোপন কৰি আহিছে। অসমৰ পৰ্বতীয়া জনজাতিসকলৰ ৰাজ্য দখল কৰাৰ বাবে তেওঁলোকে জনজাতি সকলকে দোষ দি আহিছে। নগাভূমিক বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ মূলতে নগাসকলেই দায়ী বুলি বৃটিছ লেখকসকলে অভিযোগ কৰি আহিছে। নগাসকলে সততে ভৈয়াম আক্ৰমণ কৰি বৃটিছ প্ৰজা ধৰি নিছিল আৰু চাহ বাগান লুট-পাত কৰিছিল বাবে বৃটেইনে নগা পাহাৰত প্ৰশাসন বঢ়াবলৈ লয় বুলি তেওঁলোকে কৈ আহিছে।[৩৮] অসমীয়া বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে এই কাৰ্য অন্য ধৰণেহে ব্যাখ্যা কৰিছে। তেওঁৰ মতে চাহ বাগিচাৰ মাটিৰ সীমা লৈ হোৱা বিসদ, হুকে-বিহুকে নগা চাওৰ কাজিয়া ভঙা আৰু অসমীয়া মানুহ নগা চাওত সোমোৱাৰ অজুহাত উলিয়াই বৃটিছ সেনা নগা পৰ্বতত সোমাইছিল।[৩৯]

আচলতে এইবোৰ ব্যাখ্যাতকৈ বৃটিছ সাম্ৰাজ্যৰ পুবৰ দুৱাৰ ৰক্ষা কৰাৰ চিন্তাইহে বৃটিছক বৰকৈ খুলি খুলি খাইছিল যেন লাগে। চীনদেশ দুৰ্বল হ'লেও চীনৰ প্ৰভাৱ বৃদ্ধি প্ৰতিৰোধ কৰিবৰ বাবে বৃটিছে তিব্বতক 'বাফাৰ ৰাজ্য' স্বৰূপে ৰাখিছিল কে. এম. পানিক্কৰে ক'বৰ দৰে দক্ষিণ-পূব এছিয়াত বৰ্মা হ'ল ভাৰতৰ প্ৰতিৰক্ষাৰ ঘাই দুৰ্গ।[৪০] মণিপুৰৰ ৰজা গম্ভীৰ সিং শদিয়া খোৱা গোহাঁই, চিংফৌ আৰু মটকৰ বৰ সেনাপতিৰ লগত

---

৩৮ Naga Hills & Manipur, B. C. Allen, District Gazetteer. Page—9

৩৯ মণিৰাম দেৱান. পৃঃ ১২৭—২৮

৪০ A Diplomatic History of Modern India, CS Heimsath & S. Mansingh. Page—239

ব্ৰিটিছ চৰকাৰে আৰম্ভণিতে যিবোৰ চুক্তি কৰিছিল সেইবোৰত সীমান্ত প্ৰতিৰক্ষাৰ বাবে সেনা যোগানৰ কথাটোৱে বিশেষ ঠাই পাইছিল।

এই কথা 'মণিৰাম দেৱান গ্ৰন্থ' আৰু গেইটৰ বুৰঞ্জীৰপৰা ভালদৰে জনা যায়। গেইটে লেখিছে যে ১৮৩৩ চনত গম্ভীৰ সিঙৰ লগত হোৱা সন্ধি মতে সীমান্ত ৰক্ষাত কোনো সহায় নোপোৱা বাবে ব্ৰিটিছ চৰকাৰে পৰ্বতত দমন নীতি গ্ৰহণ কৰে।[41] ১৮৩৯-১৮৫৮ চনৰ কালছোৱাৰ ভিতৰত ব্ৰিটেইনে চীনত বাণিজ্যৰ সুবিধা আৰু কাপোৰ বিক্ৰীৰ বজাৰ বিচাৰি দুখন যুদ্ধ কৰে। ব্ৰিটেইনৰ লগত প্ৰতিদ্বন্দ্বী ফৰাচী সাম্ৰাজ্যবাদীসকলৰ বুজা-পৰা হয় ১৮৬৯ চনত। তাৰ আগলৈকে ফৰাচী সেনাই ব্ৰিটেইনৰ বিপক্ষে এছিয়াৰ বিভিন্ন বিৰোধী শক্তিক সহায় কৰিছিল। বৰ্মাক ব্ৰিটেইনে অধিকাৰ কৰাৰ কাৰণো আছিল এয়ে (১৮৩৮ চন)। এই সময়ৰ পৰাই ভাৰতত ব্ৰিটিছ বেপাৰ শান্তিপূৰ্ণভাৱে চলিবলৈ ধৰে। কিন্তু এই সময়ত উত্তৰ-পশ্চিম সীমান্তত আৰু শিখ যুদ্ধত পাঠান জনজাতি আৰু শিখ যুঁজাৰুৰ হাতত ব্ৰিটিছ সেনা প্ৰায় পৰ্যুদস্ত হয় আৰু সাম্ৰাজ্য ৰক্ষাৰ ঘাই ভেটি অপৰাজেয় ব্ৰিটিছ সেনাক কেন্দ্ৰ কৰি গঢ়ি উঠা অতিকথাৰ মৃত্যু ঘটে। ১৮৪২ চনত পাঠান সেনাৰ হাতত ব্ৰিটিছ বাহিনী এটা ধ্বংস হয়। এই দুখন যুদ্ধৰ পৰাজয়ে ১৮৫৭ চনৰ সেনা বিদ্ৰোহত ইন্ধন যোগায়।[42]

অসমৰ পৰ্বতীয়া জাতিবোৰৰ সম্পৰ্কেও ব্ৰিটিছ চিন্তিত হৈ উঠিছিল। নগাসকলৰ বিৰুদ্ধে ১৮৩৯-৪৬ চনৰ ভিতৰত ব্ৰিটিছে কেইবাটাও অভিযান চলাইছিল। ১৮৪৭-১৮৫০ চনৰ কালছোৱাত নগা পৰ্বতত ব্ৰিটিছে কেইবাটাও চকী স্থাপন কৰে। কিন্তু ইতিমধ্যে ব্ৰিটিছসকলে আফগান আৰু শিখ যুদ্ধৰ অভিজ্ঞতাৰ

৪১ A History of Assam. P. 366

৪২ A People's History of Britain, F. Horrabin. P. 450

পৰা শিক্ষা লাভ কৰিছিল। বৃটিছে নগাসকলৰ লগত যুঁজ কৰিও বৰ নিৰাপদ বোধ কৰা নাছিল। ১৮৪৯ চনত মৌজমাত ভোগচন্দ্ৰ দাৰোগাৰ হত্যাৰ পিছত ১৮৫০ চনত খনমা আৰু কেক্ৰিমা গাঁৱত প্ৰবল প্ৰতিৰোধৰ সন্মুখীন হৈ বৃটিছ সেনা চিন্তিত হৈ পৰিছিল। ১৮৫০ চনৰপৰা পিছৰ দহ বছৰত সেইবাবে তেওঁ-লোকে আকৌ হস্তক্ষেপ-বিৰোধী নীতি মানি চলে। নগাসকলে কিন্তু তেওঁলোকৰ পৰিলা আক্ৰমণ নকমালে। ১৮৬৩ চনত লেঃ গৱৰ্ণৰ ছাৰ চেচিল বীডনে প্ৰমাদ গণি ক'লে যে এইদৰে চলিলে অতি শিঘ্ৰেই অসমখন ভুটীয়া, আবৰ, নগা, গাৰো, মিচিমি আৰু আন আন পৰ্বতীয়া জাতিৰ অধিকাৰত পৰি খণ্ড খণ্ড হৈ যাব। তাৰ পিছতে এওঁলোকে নগা পৰ্বত অধিকাৰ কৰা নীতি গ্ৰহণ কৰে আৰু লাহে লাহে নগাসকলক দমন কৰি নগা পাহাৰ জিলা গঠন কৰে।[৪৩]

মণিৰাম দেৱানে পৰ্বতীয়া জাতিবোৰৰ অসন্তোষৰ কাৰণ হিচাপে চৌতাং কটকীসকলক খাট-গাম-বিল আৰু বটা-বাহনৰ পৰা ৰহিত কৰাৰ কথালৈ আঙুলিয়াই দিছিল। তেওঁ কৈছিল এটা ফৌজেৰেই পৰ্বতীয়া অঞ্চলত শান্তি ৰক্ষা কৰিব পাৰি। তেওঁ দিয়া আন আন তথ্যবোৰো প্ৰণিধ্যানযোগ্য— (১) খামতি আৰু আন আন পৰ্বতীয়া জাতিবোৰক আলিত কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল; (২) তেওঁলোকৰ বন্দী-বেটীবোৰ কাঢ়ি আনিলে; (৩) চিংফৌৰ বিচাগামৰ মাহিলি ৫০৲ টকা পেঞ্চন বন্ধ কৰিলে; (৪) বৰহাটৰ লোণৰ পুং উঠাই দিয়াত নামচঙীয়া আৰু বৰদুৱৰীয়া নগাৰ মাজত কাজিয়া লাগিল; (৫) নগাৰ ঘৰে ঘৰে কাপোৰ খাজনা লোৱা বাবে সম্ভৱতঃ ডিমাপুৰৰ যুদ্ধ হয়, (৬) ভুটীয়া দেশৰ সীমা সংকোচন কৰি কিছুমান ভুটীয়াক বন্দী কৰা হৈছিল;

৪৩ নগা পাহাৰৰ জিলা গেজেটিয়েৰ, ১৯০৫

(৭) নগা-ফাটবোৰ উঠাই দি ডফলা আৰবক অত্যাচাৰ কৰা হৈছিল ; (৮) আবৰবিলাকক হাট-ফাটৰ কাটল দিবলৈ বাধ্য কৰাই চাৰিগুণকৈ কৰ বৃদ্ধি কৰা হৈছিল। মণিৰাম দেৱানে তেওঁৰ এত্লাত অসমৰ লগত পৰ্বতীয়া জাতিবোৰৰ বেপাৰ বন্ধ হোৱাৰ কথাও উল্লেখ কৰিছে। নগা পৰ্বতৰ নাগ-মাটি, বৰ খামতি দেশৰ ৰূপ, নগাৰ যাঠি আৰু লোণ, মিৰিৰ জিম্. খামতিৰ দা, মিচিমিৰ তিতা এই বিলাক দ্ৰব্য অসমীয়া মানুহে পৰ্বতীয়া ৰাইজৰপৰা পাইছিল। ইয়াৰ উপৰিও চিংফৌৰেদি চীন দেশৰপৰা সীহ, তাম-ৰূপ, মানদেশৰপৰা জাংফাই আৰু তিব্বতৰপৰা বিহ আদি এই ৰাজ্যলৈ আহিছিল। এই বিলাকৰ লগত স্থানীয় বস্তুৰ সলনা-সলনি হৈছিল। এই বেপাৰ বৃটিছে বন্ধ কৰি দি ভাটি ফালৰ দ্ৰব্য ওৱাদানিকৈ আনিবলৈ ল'লে। ১৮৩৫ চনত অসমৰ ৰজা-ৰূপ আৰু নাৰায়ণী মুদ্ৰাৰ প্ৰচলন বন্ধ হৈ যায়।[৪৪]

গতিকে দেখা যায় বৃটিছে ভৈয়ামৰ লগত পৰ্বতৰ সাতাম পুৰুষীয়া যোগাযোগ ব্যৱস্থা, বেপাৰ, ৰাজকীয় সম্পৰ্ক আদি ধ্বংস কৰাত পৰ্বতীয়া ৰাইজ জ'কি উঠিছিল। অকল সেয়ে নহয় খাছী পাহাৰৰ লো, নগাৰ লোণ পুং, অসমীয়াৰ সোণৰ শিল্প, কাপোৰ শিল্প আৰু আন আন কৃষিভিত্তিক ক্ষুদ্ৰ উদ্যোগ ধ্বংস কৰি অসমৰ গোটেই অঞ্চলটো বৃটিছৰ বস্তুৰ বজাৰত পৰিণত কৰে। ইয়াৰ উপৰি আহোম ৰাজতন্ত্ৰ ভাঙি দিয়াৰ ফলত বিষয়া, পুৰোহিত আৰু মাটিগিৰী শ্ৰেণী চৰম দুৰ্দশাৰ সন্মুখীন হৈছিল। অতি স্বচ্ছল মাটিগিৰী আৰু উদ্যোগীসকলকো অসমৰ বেপাৰ আৰু উদ্যোগ কৰিবলৈ সুবিধা দিয়া নহ'ল। ইয়াৰ উপৰি ৰাইজৰ ওপৰত মাটি কৰ, হাট-ফাট, কাটল আৰু ঘৰ-কৰ সৰহ নিৰিখত লগাই বৃটিছে ৰজাৰ দিনতকৈ চাৰিগুণ-পাঁচগুণ সৰহ কৰ তুলিবলৈ ধৰি তাৰ

৪৪ মণিৰাম দেৱান

অতি কম টকা ৰাজহুৱা কামত খৰচ কৰিবলৈ ধৰিলে। মানুহক পাদুৰী লগাই খ্ৰীষ্টান কৰাৰ ওপৰতো তেওঁলোকে জোৰ দিলে। ইয়াৰ ফলতে ভৈয়াম আৰু পৰ্বতত এলানি বিদ্ৰোহ হয়। বৃটেইনে এই বিদ্ৰোহবোৰ উচ্চখাপৰ অস্ত্ৰ-শস্ত্ৰ আৰু সুশৃঙ্খলাৱদ্ধ সেনাবাহিনীৰ সহায়েৰে দমন কৰে। পূৰ্বৰ পঞ্চায়ত ব্যৱস্থা, সামন্ত-মাটি ব্যৱস্থা আৰু পৰ্বতীয়া জাতিবোৰৰ গাঁৱলীয়া গণতন্ত্ৰৰো ধ্বংস সাধন হয়। বিদ্ৰোহৰ মূল ৰাজনৈতিক-অৰ্থনৈতিক কাৰণ এয়ে।

খাছীসকলক দমন কৰাৰ ইতিহাস অনুসৰণ কৰিলে দেখা যায় বৃটিছসকলৰ মনত অকল সীমান্ত ৰক্ষাৰ ভাবেই ক্ৰিয়া কৰা নাছিল। ডেভিড স্কটে সুৰমা উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত এটা আলি বন্ধাৰ কাম হাতত লয়। বৃটিছ লেখকসকলে মণিৰাম দেৱানৰ হতুৱাই যে খাছী-ছীনটেংসকলৰপৰা এই আলিৰ বাবে সন্মতি অনাইছিল এই কথা ক'তো উল্লেখ কৰা নাই, কিন্তু বেণুধৰ শৰ্মাই মণিৰাম দেৱানত এই কথাৰ উল্লেখ কৰিছে। পিছে এই আলি বান্ধি থকা সময়ত ১৮২৯ চনত খাছীসকল সশঙ্কিত হৈ পৰে; কাৰণ তেওঁলোকৰ সন্দেহ হ'ল বৃটিছে তেওঁলোকক দমন কৰি কৰ লগাবলৈহে আলি বন্ধাইছে। এই সন্দেহ মিছা নাছিল। ১৮২৯ চনত আলি বন্ধা ঠাইতে নংক্ল নামে ঠাইত লেফঃ বেডিংটন, লেফঃ বাৰ্লটন আৰু তেওঁৰ অনুগামীসকলক হত্যা কৰা হয়। ডেভিড স্কট কথমপি সাৰে। ইয়াৰ পিছত ১৮৩৩ চনত খাছী আৰু ছীনটেংসকলে গৰিলা যুঁজ চলায়। শেহত তেওঁলোক হাৰে আৰু ১৮৩৩ চনৰ ৯ জানুৱাৰীত বিদ্ৰোহৰ নেতা উ তিৰত সিংগে আত্মসমৰ্পণ কৰে; তেওঁ শেহত জেলতে শেষ নিশ্বাস পেলায়। ইয়াৰ পিছত বৃটিছে ফন্দী কৰি ২৭ খন সৰু সৰু খাছী-ছীনটেং ৰাজ্যৰ সন্মিলন পাতি খাছী পাহাৰৰ সাৰ্বভৌমত্ব ইংৰাজৰ হাতত সমৰ্পণ কৰিবলৈ বাধ্য কৰে।

এই সন্ধিমতে খাছী পৰ্বতৰ খনিজ দ্ৰব্য, হাতী, হাবিৰ কাঠ আৰু অন্যান্য দ্ৰব্যৰ অধিকাৰ বৃটিছে পায় আৰু খাছীসকলক মাথোন শতকৰা ৫০ ভাগ আয়ৰ ভাগ দিয়াৰ সিদ্ধান্ত কৰা হয়। ১৮৬০-৬২ চনত জয়ন্তীয়াসকলৰ ওপৰত খাজনা লগোৱাৰ সিদ্ধান্ত কৰাত প্ৰজা বিদ্ৰোহ হয়। ঘৰ কৰ নিদিবলৈ কৰা এই বিদ্ৰোহ বৃটিছে কঠোৰভাৱে দমন কৰি দলৈবিলাকক সম্পূৰ্ণ-ৰূপে নিজৰ অধীনলৈ আনে। এই ঘটনা ঘটে ১৮৬০ চনত। ১৮৬২ চনত জয়ন্তীয়া ৰাজ্য সম্পূৰ্ণ ৰূপে বৃটিছ সাম্ৰাজ্যৰ অধীন কৰাত পুনৰায় প্ৰজা বিদ্ৰোহ হয়। নতুন ব্যৱস্থাৰ ফলত ঘৰ-কৰৰ উপৰিও জয়ন্তীয়াসকলে আয় কৰ দিব লগাত পৰিছিল। জোৱাইৰ পুলিচ ষ্টেচ্যনটো জ্বলাই দি বিদ্ৰোহীসকলে বৃটিছ চিপাহীবোৰক ঘেৰাও কৰি থৈছিল আৰু জয়ন্তীয়া ৰাজ্যত বৃটিছ শাসন কিছু দিনলৈ বিলুপ্ত হৈ গৈছিল। বৃটিছে দুটা শিখ ৰেজি-মেণ্ট আৰু হস্তী বাহিনী নি এই বিদ্ৰোহ দমন কৰিবলৈ ল'লে। কিন্তু জয়ন্তীয়াসকলে প্ৰাণটাকি শেহলৈকে যুঁজি নিজৰ স্বাধীনতাৰ আকাঙ্ক্ষা প্ৰকাশ কৰিলে। প্ৰায় দুবছৰ কাল সাহসেৰে গৰিলা সমৰ কৰি জয়ন্তীয়াসকলে শেহত পৰাজয় বৰণ কৰিবলৈ বাধ্য হয়। বৃটিছে লোৱা সময়ত জয়ন্তীয়াসকলৰ হাতত কাপোৰ, লোৰ পুং, মম, হাঁতী দাত আৰু অন্যান্য দ্ৰব্যৰ বেপাৰ আছিল আৰু এইবিলাক বস্তু ভৈয়ামৰ হাটত নিমখ, ধপাত, চাউল আৰু ছাগলীৰ লগত সলনা-সলনি কৰিছিল। কিন্তু এই বেপাৰতো তেওঁলোকে হাট-ফাট, কাটল আদি সৰহকৈ ভৰি আহুকালৰ সন্মু-খীন হৈছিল। জয়ন্তীয়া ৰজাসকল এসময়ত বৰ প্ৰতাপী আছিল আৰু সামন্ত ব্যৱস্থাৰে এখন ৰাজ্য চলাইছিল। কিন্তু এওঁলোকৰ ৰাজ্যত টকাৰ বিশেষ প্ৰচলন নাছিল, আৰু নতুন বৃটিছ শাসনত টকাৰ ব্যৱ-হাৰৰ লগত তাল মিলাই চলিবলৈ অসুবিধা ভোগ কৰিব লগা হৈছিল।

১৮৪৩ চনত তিপামৰ আহোম ৰাজকোঁৱৰ এজনক ৰজা পাতি চিংফৌ, চান আৰু মানসকলে বৰ্মা ৰজাৰ সহায়ত অসমক স্বাধীন কৰিবৰ বাবে যত্ন কৰিছিল।[৪৫] কিন্তু ভালেদিন যুঁজ চলাৰ পাছত এই বিদ্ৰোহ ব্যৰ্থ হয়। ইয়াৰ আগতে ১৮২৫ চনৰ ফেব্ৰুৱাৰীত গ'মধৰ কোঁৱৰ আৰু ১৮৩০ চনৰ ২৫ মাৰ্চত গ'মধৰ কোঁৱৰ আৰু পিয়লী ফুকনৰ নেতৃত্বত দুটা বিদ্ৰোহ হৈছিল। সেই দুটাৰো একে অৱস্থা হয়।[৪৬] মানদেশৰ সাহায্যত দেশ উদ্ধাৰ কৰিবলৈ কৰা এই বিদ্ৰোহবোৰৰ তাৎপৰ্য নোহোৱা নাছিল। এই বিদ্ৰোহবোৰৰপৰা বৃটিছে অনুমান কৰিব পাৰিছিল যে মান-দেশৰপৰা অসমলৈ সোমোৱা দুৱাৰবোৰ ভালদৰে ৰাখিব লাগিব। মণিপুৰৰ লগত চিলেটৰ আদিৰেপৰা বেহা-বেপাৰ আছিল। মাজত আছিল কছাৰী ৰাজ্য। মানক খেদোৱাৰ পিছত বৃটিছে গোবিন্দ চন্দক হিড়িম্বা ৰাজ্য, গম্ভীৰ সিংক মণিপুৰ, ৰামচন্দ্ৰক জয়ন্তীয়া ৰাজ্য আৰু তুলাৰাম সেনাপতিক উত্তৰ কাছাৰৰ অধিপতি পাতে। পিছত কিছুমান কাৰণ উলিয়াই ৰামচন্দ্ৰ, গোবিন্দচন্দ্ৰ আৰু তুলাৰাম সেনাপতিক ৰাজ্যচ্যুত কৰি সেই ৰাজ্যবোৰ বৃটিছ শাসনৰ অন্তৰ্ভুক্ত কৰে। ইয়াৰ ফলত এই ৰাজ্যবোৰৰ সাংস্কৃতিক বৈশিষ্ট্য সমূলঞ্চে লোপ পালে; কিছুদূৰ পৰ্বতীয়া অঞ্চলবোৰ এই কৰাল গ্ৰাসৰপৰা ৰক্ষা পৰিল যদিও, বৃটিছে অতি সোনকালে অসমৰ দাঁতিকাষৰীয়া ঠাইবোৰৰ ওপৰত নতুন শাসন জাপি দিলে। একমাত্ৰ গম্ভীৰ সিং নাম মাত্ৰ ৰজা হৈ ৰ'ল যদিও তেওঁৰ ৰাজ্যত পলিটিকেল এজেণ্ট ৰখাৰ ব্যৱস্থা হ'ল (১৮৪৩ চন)।

মণিপুৰৰ ৰাজবংশৰ বুৰঞ্জী পঢ়িলে এই ৰজাসকলৰ বিষয়ে বিশেষ একো উচ্চ ধাৰণা কৰিব নোৱাৰি। হত্যা, চক্ৰান্ত, কোঁৱৰ বিদ্ৰোহৰ কাহিনীৰে এই বুৰঞ্জী ভৰা। এই আভ্যন্তৰীণ দুৰ্বলতাৰ

৪৫ A History of Assam. P. 376
৪৬ মণিৰাম দেৱান, পৃঃ ৬২-৬৫

ফলত মণিপুৰত বৃটিছ পলিটিকেল এজেণ্টৰ প্ৰভাৱ দহদহীয়া হয়। অৱশ্যে মণিপুৰ আৰু বৃটিছ উভয়েই উভয়ৰ দ্বাৰা কিছুদিন উপকৃত হৈ আছিল, বিশেষকৈ বহুদিনীয়া মানৰ আক্ৰমণৰপৰা আত্মৰক্ষা কৰাৰ ক্ষেত্ৰত। তলে তলে মণিপুৰৰ ৰজাসকলে এহাতেদি যেনেকৈ নিজৰ স্বতন্ত্ৰতা ৰক্ষা কৰিবৰ বাবে যত্ন কৰি আছিল, আনহাতেদি তেনেকৈ বৃটিছক নগা, মিজো আৰু আন আন পৰ্বতীয়া লোকৰ দমনত সহায় কৰিব লগাত পৰিছিল। ১৮৯০ চনত সেনাপতি টিকেন্দ্ৰজিত সিংৰ নেতৃত্বত হোৱা ৰাজ বিদ্ৰোহত ৰজা সুৰচন্দ্ৰ সিংৰ ছত্ৰভংগ হয় আৰু তাৰ ঠাইত বৃটিছে ৰজাৰ দ্বিতীয় ভায়েক কুলচন্দ্ৰধ্বজ সিংক ৰাজ্যভাৰ দিব খোজে। কিন্তু জনপ্ৰিয় টিকেন্দ্ৰ-জিতক তেওঁলোকে ৰাজ্যৰপৰা নিৰ্বাসন দিয়াৰ দাবী জনায়। তেওঁক গ্ৰেপ্তাৰ কৰালৈ এটা বিশেষ সংঘৰ্ষময় পৰিস্থিতিৰ সৃষ্টি হয়, আৰু শেহত চীফ কমিশ্যনাৰ মিঃ কুইণ্টন, পলিটিকেল এজেণ্ট মিঃ গ্ৰিমউদ, লেফ্ঃ কৰ্ণেল স্কেনি আৰু লেফ: ছিম্‌চন আদিৰ শোচনীয় অৱস্থাত প্ৰাণ নাশ ঘটে। ইয়াৰ পিছত টিকেন্দ্ৰজিত, অঙ্গৌসিং, তাংখুল সেনাপতি, নিৰঞ্জন চুবাদাৰ আৰু কাজাও মণিপুৰীক ইম্ফলৰ পল গ্ৰাউণ্ডত মুকলিভাৱে ফাঁচি দি মৰা হয়। ঠিক আমাৰ মণিৰাম পিয়লীক ফাঁচি দিয়া দৰে। মণিপুৰীসকলৰ প্ৰাচীন প্ৰথা মতে এনেকৈ প্ৰাণদণ্ড দিয়া সময়ত যথেষ্ট মাইকী মানুহ উপস্থিত থাকিলে ৰজাই সাধাৰণতে দোষীক প্ৰাণদণ্ড ৰেহাই দিয়ে। কিন্তু সেইদিনা গোটেই পলগ্ৰাউণ্ড মাইকী মানুহেৰে বগা হৈ ভৰি পৰা সত্ত্বেও বৃটিছসকলৰ হিয়া নগলিল। টিকেন্দ্ৰজিত আৰু তাংখুল সেনাপতিক ফাঁচি দিয়াৰ লগে লগে গোটেই জুমটোৱে উচুপি উচুপি কান্দিবলৈ ধৰিছিল। যোৰহাটৰ ফাঁচিকাঠত মণিৰাম দেৱান-পিয়লীক ফাঁচি দিওঁতেও ৰাইজৰ মন এইদৰে শোকাকুল হৈছিল।

কিন্তু আচল কথা হ'ল অসম, মণিপুৰ, কাছাৰ, জয়ন্তীয়া এই ৰাজ্যবোৰৰ ৰজাসকল সামন্তবাদৰ প্ৰতিভু আছিল। বৃটিছ

সাম্রাজ্যবাদীসকলৰ হাতত উন্নত উৎপাদন আৰু সেনাবাহিনী থকা বাবে তেওঁলোকে কম আয়াসতে এওঁলোকক পৰাভূত কৰিব পাৰিলে। হিড়িম্বা ৰাজ্য অসমৰ বড়ো-কছাৰীসকলৰ অৱশিষ্ট ৰাজ্য আছিল। তাৰে এটা ঠাল উত্তৰ কাছাৰ পৰ্বতত আছিল। এই অংশত তুলাৰাম সেনাপতি নামে এজন কছাৰী বীৰে শাসন কৰিছিল। গোবিন্দচন্দ্ৰই তলতীয়া লোক কহিডানক উত্তৰ কাছাৰৰ বিষয় এখনত নিযুক্ত কৰে, কিন্তু ভাগ্যৰ ফেৰত কহিডান তাত উঠি ৰজা হৈ বহিল। ৰজাই প্ৰমাদ গণি তেওঁক ধৰমপুৰলৈ অনাই তাতে হত্যা কৰোৱায়। তুলাৰাম এই সময়ত ৰজাৰ লগত আছিল। বাপেকৰ হত্যাৰ পিছত তেওঁ পৰ্বতলৈ পলাই গৈ তাত শাসক হৈ বহিলগৈ। ইফালে ১৮১৮ চনত গোবিন্দচন্দ্ৰৰ ৰাজ্য ভগনীয়া মণিপুৰী ৰজা সকলৰ হাতত পৰো পৰো হ'ল। ৰজাই বৃটিছৰ সহায় বিচাৰি নিৰাশ হৈ মানসকলৰ ফালে ঢাল খাইছিল। মানসকলে তেতিয়া মণিপুৰ দখল কৰি আছিল। পিছে বৃটিছে পলৰীয়া ৰজা গম্ভীৰ সিঙৰ কাষ চাপি তেওঁক বৰ নিৰ্ভৰযোগ্য মিত্ৰ যেন বোধ নকৰি শেষত গোবিন্দচন্দ্ৰকে কাছাৰত ৰজা পতাৰ থিৰাং কৰে। তেওঁলোকে মানসৈন্যক খেদি দি গোবিন্দচন্দ্ৰক ৰজা পাতে। গোবিন্দচন্দ্ৰ বিখ্যাত কছাৰীসকলৰ শেষ বংশধৰ। কছাৰীসকলৰ এসময়ত ডাঙৰ ৰাজ্য আছিল। ১৪৯০ চনত আহোমৰ লগত প্ৰথম বুজন সংঘৰ্ষ হোৱাৰ পিছত তেওঁলোকৰ ৰাজ্যৰ সীমা ধনশিৰীত নিৰ্দ্ধাৰণ হয়। পিছত ক্ৰমে ১৮২৬, ১৫৩১ আৰু ১৫৩৬ চনত পুনৰায় সংঘৰ্ষ ঘটে। তাৰ ফলত কছাৰী ৰাজ্য টুটি যায়। পিছলৈ শত্ৰুদমনৰ দিনত কছাৰী ৰাজ্য বৃদ্ধি পায়। ১৭০৪ চনত আহোম ৰজা ৰুদ্ৰসিংহই কছাৰী ৰজা তাম্ৰধ্বজক বিশ্বনাথ দৰবাৰত আদৰণি জনায়। কছাৰী ৰজা কৃষ্ণচন্দ্ৰই ১৭৯০ চনত হিন্দু ধৰ্ম গ্ৰহণ কৰে বুলি কোৱা হয়। তেওঁৰ ভায়েক গোবিন্দচন্দ্ৰৰ দিনতে কাছাৰ দুখণ্ড হয়। ১৮২৮ চনত বুঢ়া তুলাৰাম সেনাপতিয়ে তেওঁৰ ভতিজাক গোবিন্দ-

পতি পাতে। গোবিন্দৰামে এই ছলতে তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ কৰাত তুলাৰাম পলাই মণিপুৰ পায়গৈ আৰু তাৰ ৰজা গম্ভীৰ সিঙৰ সহায়ত নিজৰ হাতত ৰাজ্য পুনৰ উদ্ধাৰ কৰে। ১৮৩০ চনত গোবিন্দচন্দ্ৰৰ অস্বাভাৱিকভাৱে মৃত্যু হয় আৰু তুলাৰামে এই শূন্য সিংহাসন দাবী কৰে। কিন্তু বৃটিছে কাছাৰ নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ পিছত তুলাৰামক এটা আজীৱন পেঞ্চন দিয়ে।[৪৭]

ভুটীয়া, মন্‌পা, অঁকা, আপাতানি—এইসকলৰ লগত বৃটিছৰ দুৱাৰবিলাকৰ অধিকাৰ আৰু পৰিচালনা লৈ মতভেদ হৈছিল। এই দুৱাৰবিলাক গিৰি-পথৰ মুখ। উত্তৰ বঙ্গ আৰু গোৱালপাৰাত এঘাৰখন, উত্তৰ লক্ষীমপুৰ আৰু দৰঙত সাতখন—সৰ্বমুঠ ওঠৰখন দুৱাৰ ভুটানৰ প্ৰৱেশ-দ্বাৰ স্বৰূপ আছিল। প্ৰথম এঘাৰখন ভুটীয়াই আগৰেপৰাই হাতত ৰাখিছিল, পিছৰ সাতখন গৌৰীনাথ সিংহৰ দিনত ৪,৭৮৫ টকা বছৰি কৰৰ বিনিময়ত ভুটানক দিয়া হৈছিল। ১৮৪১ চনত এই কেইখন দুৱাৰ বৃটিছে অধিগ্ৰহণ কৰি ভুটানক বছৰি ১০,০০০ টকা দিয়াৰ বন্দৱস্ত কৰে; এনে কৰাৰ কাৰণ আছিল ভুটানৰ কৰ শোধোৱাত গাফিলি। ১৮৬৪ চনৰ পিছত ২৫,০০০ টকা বন্দৱস্তিত বাকীবোৰ দুৱাৰো অধিগ্ৰহণ কৰা হয়। সাত ৰজাৰ দেশৰ দুৱাৰ কৰিয়াপাৰাও ১৮৪৩ চনত ৫,০০০ টকা বন্দৱস্তত কোম্পানীয়ে গ্ৰহণ কৰে। এই দুৱাৰবোৰ অধিগ্ৰহণ কৰাৰ ফলত পৰ্বতীয়া জাতিবোৰৰ ভৈয়ামৰপৰা পঁচা তোলা বন্ধ হয়। চাৰি দুৱাৰ আৰু থেবেঙীয়াৰ ভুটীয়াসকলৰ লগতো বৃটিছে একেই ধৰণৰ বন্দৱস্ত কৰিবলৈ লয়। উত্তৰৰ অঁকা, ডফলা, মিৰি আৰু ব্ৰহ্মপুত্ৰৰ খাছীসকলৰ লগতো যথাযোগ্য ব্যৱস্থা লোৱা হয়।[৪৮]

গাৰোবিলাকক মৈমনসিং বা আন ঠাইৰ জমিদাৰসকলে

---

৪৭ A History of Assam.

৪৮ " " " " পৃঃ ৩৬৩—৬৫

অত্যাচাৰ আৰু শোষণ কৰা বাবে তেওঁলোক অসন্তুষ্ট আছিল আৰু ভৈয়ামত মাজে মাজে গৈ আক্ৰমণ চলোৱাৰ কাৰণ ইয়ো এটা বুলি গেইটে উল্লেখ কৰিছে। ১৮১১ চনত বৃটিছে গাৰো অঞ্চল নিজে হাতত লৈ তাৰ কৰ আগৰ দৰেই তুলিবলৈ লয়, কিন্তু গাৰোৰ উৎপন্ন দ্ৰব্যৰ ওপৰত কাটল আদি উঠাই দিয়ে। ইয়াৰ সলনি তেওঁ ঘৰ-কৰ লগায়। ১৮৬৯ চনত এখন সুকীয়া গাৰো জিলা কৰা হয়। লুচাই পাহাৰকো ১৮৯৮ চনৰপৰা এখন সম্পূৰ্ণ জিলালৈ পৰিবৰ্তিত কৰা হ'ল।

১৮৪৮ চনৰপৰা ১৯১১ চনৰ ভিতৰত আদিসকলৰ লগতো বৃটিছৰ মনোমালিন্য ঘটে। ১৯১১ চনত পাঙ্গি নামে ঠাইত মিঃ উইলিয়মচন, (শদিয়াৰ সহকাৰী ৰাজনৈতিক বিষয়া), ডঃ গ্ৰিগৰশ্যন আৰু তেওঁলোকৰ লগৰীয়াসকলক আদিসকলে হত্যা কৰে। ইয়াৰ পিছত বৃটিছে শদিয়া আৰু বালিপাৰা অঞ্চল দুখন সৃষ্টি কৰি পলিটিকেল অফিচাৰৰ তলত সেই দুখন চলাবলৈ লয়। মিছিমিসকলে ১৮৫৪ চনত ফৰাচী মিশ্যনেৰী এজন হত্যা কৰে। বৃটিছে ইয়াৰ প্ৰতিষেধক ব্যৱস্থা কৰিছিল। হিমালয়ৰ নামনিৰ এই স্বাধীনচিতীয়া জনজাতিসকলক শাসনাধীন কৰাৰ এটা ঘাই উদ্দেশ্য আছিল বাণিজ্য। বালিপাৰা সীমান্ত অঞ্চলত থকা ওদালগুৰি আছিল তিব্বতৰ লগত অসমৰ ঐতিহাসিক বাণিজ্যৰ দুৱাৰ। আদি অঞ্চলতো বৃটিছে ১৮৪৭ চন অৱধি বাণিজ্য-কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাই আছিল। ১৮৬২ চনত আদিসকলৰ লগত বৃটিছৰ বাণিজ্যৰ বিষয়েও এটা বন্দৱস্তি কৰে।[৪৯] আদিসকলে আগৰেপৰা তিব্বতৰ লগত সলনা-সলনি কৰা প্ৰথা অনুসৰি বেপাৰ চলাইছিল; বৰিচ আৰু বোকাৰ আদিসকলে তিব্বতৰ পৰা নিমখ, উলৰ কাপোৰ, উল, তৰোৱাল, পাত্ৰ, কেৰু, পিতলৰ বালা, মুগা, সূতা আদি বস্তু আনিছিল। আনহাতে

৪৯ Aspects of Padam-Minyong Culture,—Sachin Roy.P. 17

...MDAMA COLLEGE LIBRARY

তিব্বতীয়সকলে ইয়াৰপৰা জন্তুৰ চাল, জলকীৰা, মেথোন, পহুৰ শিং, চাউল, তামেন ( কাপোৰ ৰঙোৱা লতা ) আৰু মাখিন আদি নিছিল। এই বেহা-বেপাৰবোৰত ডক্কি ( কাহৰ পাত্ৰ ), মেথোন আৰু কুকুৰা গাহৰি আদিক বিনিময়-মুদ্ৰা হিচাপে ব্যৱহাৰ কৰিছিল।[৫০] মানৰ আক্ৰমণৰ আগলৈকে তিব্বতৰ বেপাৰী অসমলৈ আহি বেপাৰ কৰি ইয়াৰপৰা পাট, লা, লো, চাল, ম'হৰ শিং, মণি নিছিল। তেওঁলোকে পৰ্বতীয়া নিমখ দিছিলহি। অসমৰ পৰা ভুটানেদি কাবুললৈ এটা বাণিজ্য-পথ আছিল বুলি টেভাৰনিয়াৰে উল্লেখ কৰিছে। কামৰূপ আৰু তিব্বতৰ মাজত ৩৫ টা গিৰিপথ আছিল বুলি তবকত্-ই-নাসিৰিত উল্লেখ আছে। মেককোচ চাহাবে অসমৰপৰা চীন আৰু দক্ষিণ-পূব এছিয়ালৈ পাঁচটা গিৰিপথ আছিল বুলি লেখিছে। তাৰে এটা হ'ল ডিবং, মিছিমি, ফুংগান, মণিপুৰ আৰু পাটকাই পথ। ফুংগান গিৰিপথেদি মাঙ্কি আৰু চীন দেশলৈ যাব পৰা গৈছিল বুলি তেওঁ উল্লেখ কৰিছিল।[৫১] চীনা নথিপত্ৰত খ্ৰীঃ পূঃ দ্বিতীয় শতিকাতো অসম আৰু চীনৰ মাজত বাণিজ্য চলিছিল বুলি উল্লেখ আছে।[৫২]

শদিয়াৰ বজাৰত বছৰি ৭০,০০০ টকালৈকে স্থানীয় বস্তুৰ বিক্ৰী হৈছিল। পৰ্বতীয়া মানুহখিনিয়ে সাধাৰণতে মিছিমি তিতা, মম, musk, গুৰ, আবৰ, বাগ আৰু আলু বেচিছিল। বছৰি ১৫,০০০ হেজাৰ টকাৰ বেত শদিয়া হাটত বেচা গৈছিল। ইয়াৰ উপৰি চালমোগোৰা গছৰ গুটিও বেচা গৈছিল বুলি শদিয়া জিলা গেজেটিয়েৰত উল্লেখ আছে। মিছিমি তিতা মোনে ৫০০ টকালৈকে বিক্ৰী হৈছিল আৰু এই বস্তুটি চীন দেশলৈ ৰপ্তানি হৈছিল। এই বস্তুবোৰ নীলামত বেচা নিয়ম আছিল। স্থানীয় পৰ্বতীয়া লোকসকলে

---

৫০ Aspects of Padam-Minyong Culture, P. 32—34.

৫১ A History of Assam, P. 273—75

৫২ এই তথ্য চীনা চৰকাৰৰ দ্বাৰা প্ৰকাশিত এখন গ্ৰন্থত আছে

চাউলকে আদি আন লাগতিয়াল বস্তু আমদানি কৰিব লগা হৈছিল। বৃটিছৰ দিনত অসমত ৰাজস্থানী ব্যৱসায়ীসকলে সকলো ঠাই জুৰি লৈছিল আৰু শদিয়াতো তেওঁলোকে বেপাৰ কৰি যথেষ্ট লাভ কৰিছিল।[৫৩]

পাঁচ

বৃটিছ আহি ১৮৩৫ চনত হাদিৰাচকী উঠাই দিয়াত অসমৰ শুল্ক আয় নাইকিয়া হয়। ১৭০৭ চনৰ সন্ধি মতে হাদিৰাচকীৰ আমদানি আৰু ৰপ্তানি সকলো দ্ৰব্যৰ ওপৰত শতকৰা ১০ ভাগ শুল্ক লগোৱা হৈছিল। অসমৰ বিপৰ্যয়ৰ আগত বঙ্গদেশৰপৰা ১২০০০ মোন লোণ আহিছিল। বৰফুকনে শুল্কৰ বাবদ ৯০,০০০ টকালৈকে পাইছিল. কিন্তু ৰাজকোষলৈ মাত্ৰ তাৰে ২৬,০০০ ধনহে গৈছিল। বাহিৰৰ লোণৰ দাম চৰা হোৱাত সাধাৰণ মানুহে তাক খাবলৈ নেপাইছিল। ১৮০৯ চনত বঙ্গদেশৰপৰা হোৱা আমদানিৰ পৰিমাণ আছিল ২'৭৫ লাখ টকা আৰু ৰপ্তানিৰ পৰিমাণ আছিল ১'৩৩ লাখ টকা। ১৮৩৪ চনত ৰপ্তানিৰ পৰিমাণ আছিল ৩ লাখ টকাৰ অধিক; কিন্তু আমদানি হৈছিল ২'৫০ লাখ টকাৰ। এই সময়ত ৩১,২২২ মোন লোণ ১,৪০,৫০২ টকাত কিনা হৈছিল; অসমৰ ২২৪ মোন মুগা ৫৩,৮৮৯ টকাত আৰু সৰিয়হ মোনে এটকাকৈ বেচা গৈছিল।[৫৪]

বৃটিছে আহি অকল ৰজাকে যে ক্ষমতাচ্যুত কৰিলে এনে নহয়, বিষয়া, গোসাঁই-মহন্ত, পুৰোহিত, সেনাবাহিনী, চকী চলোৱা বিষয়া, পঞ্চায়তী বিচাৰ আৰু কৰ শোধোৱাৰ নিয়ম সকলো

৫৩ Sadiya Frontier Tract Gazetteer, P. 33-36

৫৪ A History of Assam. P. 275-276

বদলাই এই শ্ৰেণীবোৰৰ আয়, প্ৰতিপত্তি আৰু ক্ষমতা নাশ কৰিলে। আটাইতকৈ ডাঙৰ আঘাত পৰিল মাটি ব্যৱস্থাত। মণিৰাম দেৱানে সকলো মাটিৰ ওপৰত খাজনা লগোৱা খাজনা দিব নোৱাৰিলে মাটি নীলাগত দিয়া, লগুৱা–লিকচৌ প্ৰথা উঠোৱা, ৰটা-উপঢৌকন বন্ধ কৰা, জাত প্ৰথাত আঘাত দিয়া, গোসাঁই-পুৰোহিতসকলৰ আধ্যাত্মিক প্ৰভাৱ নাশ কৰা, নতুন বিচাৰ প্ৰথা প্ৰৱৰ্তন কৰা আৰু বিষয়াসকলৰ আজলমঠালিৰ বিৰুদ্ধে চৰকাৰৰ ওচৰত গোচৰ জনাইছিল। তেওঁ মাটিৰ স্থায়ী বন্দৱস্তি কৰিবৰ বাবেও পৰামৰ্শ আগ বঢ়াইছিল। টকাৰে খাজনা দিব নোৱাৰিলে বস্তুৰে দিয়া, নীলাম বন্ধ কৰা, ন ভঙনীয়া মাটিত কম নিৰিখত খাজনা লোৱা, স্থানীয়ভাৱে পঞ্চায়তৰ দ্বাৰা বিচাৰ চলোৱাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা, আফুখেতি লাহে লাহে উঠোৱা, ৰজাক নিয়মিতভাৱে বৰ্দ্ধিত পেন্সন দিয়া আদি কিছুমান পৰামৰ্শ আগ বঢ়াইছিল। তেওঁ নিজে ৫০০ টকা খাজনা দিব লগা হোৱাত তাৰ বোজা অসহনীয় হৈ উঠিছিল। চৰকাৰৰ এখন ভাল বিষয় দিবৰ বাবে তেওঁ মিলচ চাহাবৰ ওচৰত প্ৰাৰ্থনা কৰিছিল।[৫৫] কমলেশ্বৰ সিংহক পুনৰ ৰাজ্য দি এটা নতুন ব্যৱস্থা পাতি অসমৰ সামন্ত বিষয়াতন্ত্ৰৰ ঠাইত নতুন এটি অৰ্দ্ধ-সামন্ত শ্ৰেণী তৈয়াৰ কৰাই তেওঁৰ উদ্দেশ্য আছিল যেন লাগে। মাটিৰ স্থায়ী বন্দৱস্তি কৰাৰ বাবে তেওঁ যত্ন কৰিছিল আৰু তাৰ ফলত এটা জমিদাৰ শ্ৰেণী গঢ়ি উঠিলেহেঁতেন।

বৃটিছৰ ন ব্যৱস্থাই সামন্তবাদৰ ভেটি ভাঙিলে যদিও, ই খেতিয়কসকলকো অতিপাত শোষণ কৰিবলৈ ধৰিলে। মণিৰাম দেৱানে এই শোষণৰ ফলাফলৰ বিষয়ে আমাক কেইবাটাও তথ্য জানিবলৈ দিছে। তেওঁ লেখিছিল, "মৌজাদাৰ, চৰ্কাৰী

---

৫৫ মণিৰাম দেৱান

বিষয়া আৰু পেঞ্চন খাওঁতাসকলৰ এনে দুখ লগা অৱস্থা হৈছেহি যে তেওঁবিলাকে অচিৰেই নিকৃষ্ট ব্যৱসায়ত ধৰিব লাগিব। তেওঁলোকৰ কোনো এজন কেতিয়াবা গৰজত পৰিলে তেওঁ নিজৰ গাৰ মঙহ এডোখৰ কাটি দিয়োঁ ঋণ এটকাকে ধাৰলৈ নেপায়। আৰু যদিস্যাৎ ঋণ দহ টকাকে কেঞ্চাৰ ঘৰৰপৰা ধাৰলৈ বিচাৰে, তেন্তে তেওঁ আগতে সেই কেঞ্চাৰ ঘৰত ২০ টকা বেচত অলঙ্কাৰ শোতা থব লাগিব, তেহে তেওঁ শতকৰা মাহে পাঁচ টকা বাঢ়ি ভৰি সেই ঋণ দহ টকাকে পাব ···· বচা দৈয়াঙৰ মানুহবিলাকে মিঃ স্কট চাহাবৰ দিনলৈকে ধান খেৰেৰেই ভাত-পানী বান্ধিছিল, আৰু ঘৰ চাই লৈছিল। কিন্তু, আজিকালি সেইবোৰ ঠাই এৰাবাৰী হ'ল আৰু বাঘ-ভালুক আদি বনৰীয়া জন্তু থকা অগাই-ধনি হাবিৰেই ভৰি পৰিল। ২০৷২৫ বছৰৰ ভিতৰতে যেতিয়া এনেদৰে ধ্বংস পাবলৈ ধৰিছে আৰু ২০৷২৫ বছৰ থাকিলে যে তাৰ নাম ক'বলৈ নাইকিয়া হ'ব।" ···ৰঙ্গাদিনীয়া উৎপাদন আৰু সংগ্ৰহ-ব্যৱস্থা তুলি দিয়াত এচাম পাইকৰ কি দুৰৱস্থা হৈছিল, তাৰ কথা বৰ্ণাই তেওঁ কৈছিল, "স্বৰ্গী ৰজা আৰু বুঢ়াগোহাঁইৰ দিনত চমুৱা-পাইকে গাইপতি ডেৰপুৰাকৈ আৰু কাঢ়ী পাইকে দুপুৰাকৈ মাটি পাইছিল। সেই মাটিৰ পৰিবৰ্তে সিহঁতে মূল, দোৱাল, তেৱালকৈ তিনি ভাগকৈ কাম কৰি ৰজাঘৰত খাটি দিব লগা হৈছিল। ইয়াৰ উপৰিও ৰজাঘৰত কাপোৰ, বিহগুটি, মৰাপাট, লোণ, গৰু চাল আৰু শিং যোগাইছিল। নানা প্ৰকাৰ কৰ পঁচাও দিছিল; দিবলগীয়া নেথাকিলে বছৰেকত তিনি টকাকৈ কৰ শোধাইছিল। তথাপি দেশখনে অভ্যুদয় সম্পত্তি উপভোগ কৰি আছিল। কিন্তু বৰ্তমান অৱস্থাত ইমান কাম কৰিব আৰু কৰ পঁচা শোধাব নলগীয়া সত্বেও কুলী বা চাকৰ কাম কৰি মাহেকত তিনি টকাকৈ ঋণ আজিও সুখ-শান্তি বিচাৰি হাবাথুৰি খাইছে। চৰ্কাৰ বাহাদুৰে অভবোৰ বেহাই আৰু সুবিধা দিয়াতো যে

১, ৯'৮৭, ২, ২'৫০ খাজনা পৰিশোধ কৰিবলৈ ৰায়তে থৰ-যুগুতি হেৰুৱাবলগীয়া হৈছে তাৰ কাৰণ কি ? ···১৮২৫-২৬-২৭ চনত য'ত ৬৫০০ টকাতকৈ সৰহ খাজনা নুঠিছিল, ত'ত বছৰেকত এক লাখ টকা উঠিলগৈ। আনহাতে মান্যৱন্ত লোকৰ সম্পত্তি আৰু সন্মান অটুট ৰখা হৈছিল।" তেওঁ কোম্পানীৰ টকাৰ থকৰ বিষয়েও উনুকিয়াই কৈছিল, "বৰ্তমান শাসন-কৰ্তাসকলৰ দিনত মৈদামবোৰ খানবান হ'ল; ৰাজ-অস্থিৰ জাত মৰিল, আৰু তাত থকা সম্পত্তিবোৰ গুপ্তভাৱে লুণ্ঠিত হ'ল।" কোম্পানীৰ বিষয়াসকলে স্থানীয় লোকক কামৰপৰা বঞ্চনা কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰি কৈছিল, "পল্টনীয়া চাহাবসকলে ভূমি বন্দৱস্তি কৰি তাৰ মজুমদাৰ কামত বিনাকামে থকা বহুত সম্ভ্ৰান্ত অসমীয়া মানুহ থকা সত্বেও মাৰোৱাৰী, চিলেটীয়া আৰু বঙালী মানুহক সুমুৱাই থৈছে। সেই অসমীয়া ডাঙৰীয়াসকলক সিহঁতৰ ৰাহুত কৰি ৰাখিছে। এইটি বৰ পৰিতাপৰ কথা।" মণিৰাম দেৱানে ভাবিছিল অসম-বজাক পুনৰ ৰাজ-পাট দি লগত এজন চিভিলিয়ান দিলেই ৰাজহুৱা অশান্তি লোপ পাব আৰু দেশীয় চিপাহীৰ ফৌজ এটা ৰাখি দেশ শাসন কৰিব পৰা যাব। কুৰি বছৰে কুৰি বছৰে খাজনা বৃদ্ধি কৰাৰ প্ৰস্তাৱ তেওঁ দিছিল।[৫৬]

মণিৰামৰ অভিযোগবোৰলৈ কোম্পানীয়ে কৰ্ণপাত নকৰিলে; মণিৰামে তেতিয়া চিপাহী বিদ্ৰোহত যোগ দি নিজৰ কৰ্তব্য পালন কৰিবলৈ ওলাল। কিন্তু বৃটিছে তেওঁক আৰু তেওঁৰ লগৰ বিদ্ৰোহীসকলক ধৰি কঠোৰ শাস্তি দিলে। মণিৰাম আৰু পিয়লীক ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত যোৰহাটত শয়েক ৰাইজৰ আগত ফাঁচি দি বৃটিছ চৰকাৰে উদ্ধতালি প্ৰদৰ্শন কৰিলে।

বৃটিছ শাসনত সামন্ত শ্ৰেণীবোৰৰ সৰহ ভাগৰে উপাৰ্জনৰ

---

৫৬ মণিৰাম দেৱান

বাট মৰিল। তাৰে এফালে ই চৰকাৰৰ ব্যৱস্থা মানি লৈ তেওঁ-লোকৰ শাসনৰ সহায়ক হ'ল। আনহাতে পাইকসকল মুক্ত হ'ল। বন্দী-বেটীৰ প্ৰথাও লোপ পালে। এই দুটা ব্যৱস্থাই সামন্ত ভূমি প্ৰণালী লোপ পেলালে আৰু তাৰ ঠাইত ৰায়ত প্ৰথা চলিল। লাহে লাহে ভূ-স্বামীসকলে আধি, খন্দুৱা. দেৱোত্তৰ-ব্ৰহ্মোত্তৰ আদি প্ৰাচীন আৰু নবীন প্ৰথাৰে ৰায়তৰ উপাৰ্জনাদি শোষণ কৰিবলৈ ধৰিলে। বহুত পুৰণি সামন্ত শ্ৰেণীৰ লোক চৰকাৰী চাকৰিয়াল হ'ল।

পুৰণি সামন্ত ব্যৱস্থাৰ ঘাই নৈতিক ভেটি আছিল ধৰ্ম আৰু সদাচাৰ। মণিৰাম দেৱানে পুৰোহিত আৰু গোসাঁই-মহন্তসকলৰ প্ৰতিপত্তি নাশ হোৱাৰ লগে লগে এই ধৰ্ম আৰু সদাচাৰ লোপ পাইছে বুলি অভিযোগ কৰিছিল। তেওঁ কৈছিল, "শিষ্যসকলৰ ওপৰত পুৰোহিতৰ প্ৰভাৱ নাইকিয়া কৰাত, মিছা-বেশ্যা মদাহী আদি যেয়া অভ্যাসবোৰ একেবাৰলৈ ক্ষমতা নাইকিয়া হ'ল।" আন এটা অভিযোগ হ'ল, "৬০০ বছৰ পূজা-পাতল দি অহা কামাখ্যা দেবীক পূজা দিয়াবলৈ একেবাৰে দিয়াত আৰু হিন্দু ধৰ্মক অৱজ্ঞা কৰাত, দেশত মাৰি-মৰক, পীড়া-পৃষ্টি, অকাল-অনাটনে দেখা দিছেহি। এনে দুৰ্গতিৰ কাৰণ বতৰ ভাল নোহোৱাটোও হব পাৰে। কিন্তু সকলোৰে উপৰোক্ত আওহেলাকেই কাৰণ বুলি বিশ্বাস কৰে।" ইয়াৰ লগতে তেওঁ বৈষয়িক কাৰণ অৰ্থাৎ সামন্ত শ্ৰেণী-সম্পৰ্কৰ উচ্ছেদ-সাধনৰ কথাও উল্লেখ কৰিছে। মণিৰাম দেৱানে মুকুতাৰ লগত শোকোতা মিলাবলৈ যোৱাটো তেওঁৰ সামন্ত আৰু সংস্কাৰাচ্ছন্ন মনৰে পৰিচয়। সামন্ত সমাজৰ ধৰণী লৰাৰ কাৰণ ৰাজনৈতিক-অৰ্থনৈতিক ভেটিৰ আমূল পৰিবৰ্তন। উপ-নিবেশিক উৎপাদন প্ৰণালী আৰু শোষণৰ ফলত যি নতুন বিপৰ্যয় হ'ল তাৰ কাৰণ ধৰ্ম আৰু সদাচাৰৰ ৰক্ষক পুৰোহিত শ্ৰেণীৰ পতন নহয়। কিন্তু "সকলোৰে উপৰোক্ত আওহেলাকেই কাৰণ বুলি বিশ্বাস কৰে" বোলা কথাষাৰৰ তাৎপৰ্য নোহোৱা নহয়।

ই অসমীয়া মানুহৰ অযুক্তিকৰ চিন্তাৰ পৰিচয় দিয়ে। মণিৰাম দেৱানৰ এই ভাৱবাদী ব্যাখ্যাই অসমৰ সামন্ত সংস্কৃতিৰ সীমাৱদ্ধতাৰেই পৰিচয় দিয়ে। তেওঁ আৰু তেওঁৰ সহকৰ্মীসকলে বৃটিছৰ বিৰুদ্ধে কৰা ঘাই অভিযোগ হ'ল পুৰণি ব্যৱস্থাৰ ধ্বংস। কিন্তু বৃটিছৰ নতুন ব্যৱস্থাৰ শক্তি আৰু শ্ৰেষ্ঠত্ব কিহত তাক তেওঁ নিৰ্ণয় কৰিব পৰা নাছিল। আনন্দৰাম ঢেকিয়াল ফুকনে তাক পাৰিছিল। কিন্তু ঢেকিয়াল ফুকনে পুঁজিবাদী ব্যৱস্থাৰ ক্ৰুটিবোৰ দেখা নাছিল।

সংক্ৰান্তি কালত অসমৰ সত্ৰসমূহৰ ধৰ্মীয় সংস্কৃতি, সংস্কৃতফাৰ্চীৰ চৰ্চা, কাব্য, বুৰঞ্জী সাহিত্য, লোক-সংস্কৃতি, খেল-ধেমালি, চিত্ৰাঙ্কন বিদ্যা—এই সকলোবোৰৰে অৱনতি ঘটে। কাৰণ এইবিলাকৰ ঘাই পৃষ্ঠপোষক ৰজা, বিষয়া আৰু পুৰোহিত সত্ৰাধিকাৰ শ্ৰেণীৰ ভিকাচন ভাগে। ওপৰৰ বিৱৰণীৰপৰা জনা যায় বৃটিছসকলে অৰ্থনৈতিক শোষণ আৰু বেপাৰৰ বাবে অসমত ৰাজ্য বিস্তাৰ কৰিছিল। স্থানীয় লোকসকলৰ সাংস্কৃতিক পৰম্পৰাবোৰ জীয়াই ৰখা অথবা উজ্জীৱন কৰাত তেওঁলোকৰ মনোযোগ নাছিল। আনহাতে সম্পূৰ্ণৰূপে সামন্ত সাংস্কৃতিক পৰম্পৰা ধ্বংস কৰাৰো তেওঁলোক পক্ষপাতী নাছিল। যিবিলাক সামন্তশ্ৰেণীৰ লোকক তেওঁলোকে নিৰাপদ বুলি ভাবিছিল, সেইসকলক নকৈ থাপি তেওঁলোকৰ ওপৰতে ভেজা দি প্ৰশাসন চলাবলৈ ললে। অসমীয়া জাতিৰ সাংস্কৃতিক অস্তিত্ব ৰক্ষাৰ বাবে তেওঁলোকে মূৰ নঘমাইছিল। উনবিংশ শতিকাৰ শেষ ভাগৰ পৰা যেতিয়া নকৈ গঠিত হোৱা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ অগ্ৰণী লোকসকলে এই অসমীয়া সংস্কৃতিৰ ন জাগৰণৰ বাবে চিন্তা আৰু দাবী কৰিবলৈ ল'লে, তেতিয়াহে তেওঁলোক এই বিষয়ে কিঞ্চিৎ সজাগ হয়। ভাষা আৰু জাতীয়তাৰ সমস্যা প্ৰকট হৈ নুঠালৈকে তেওঁলোকে তাৰ প্ৰতি মন-কাণ দিয়া নাছিল।

# দ্বিতীয় অধ্যায়

## মধ্যবিত্ত শ্ৰেণীৰ উত্থানৰ যুগ

সংক্ৰান্তি যুগৰ শেষ জনাজাত আৰু স্মৰণীয় পুৰুষ সম্ভৱতঃ মণিৰাম দেৱানেই। তেওঁৰ দৰে সৰ্বগুণী পুৰুষ সেই সময়ত বিৰল আছিল। আধুনিক অসমীয়া জীৱন গঢ়াত তেওঁ পিছ পৰি থকা নাছিল ; সংস্কৃত পুনৰুত্থানবাদী আদৰ্শৰ প্ৰয়োজন তেৰোঁ অনুভৱ কৰিছিল। তেওঁ বেপ্টিষ্ট মিশ্যনেৰীসকলে ১৮৪৬ চনত চলোৱা 'অৰুণোদয়' কাকতলৈ টকা আগবঢ়াই অসমীয়া আধুনিক সাহিত্যৰ পৃষ্ঠপোষকতা কৰিছিল, ল'ৰা-ছোৱালীক ইংৰাজী পঢ়াতো উৎসাহ দিছিল। আনহাতে নিজে বঙলা ভাষাত এখন বুৰঞ্জী ৰচনা কৰিছিল। তেওঁৰ সমসাময়িক পুৰুষ, লক্ষ্মীনাথ ব্ৰহ্মচাৰীৰ তোলনীয়া পো পৰশুৰাম দুৱৰীয়া বৰুৱাৰ পুত্ৰ হলিৰাম ঢেকিয়াল ফুকনেও বঙলা ভাষাত 'আসাম বুৰঞ্জী' ৰচনা কৰি বাংলা বুৰঞ্জী সাহিত্যৰ প্ৰথম মৌলিক গ্ৰন্থকাৰ ৰূপে খ্যাতি লাভ কৰে। এই সময়ত অসমীয়া ভাষা আৰু বাংলা ভাষাৰ মাজত কোনো বিৰোধ ওপজা নাছিল। মণিৰাম দেৱানে বৃটিছৰ আহিত পল্টন, প্ৰশাসন আৰু চাহ বাগান খোলাৰ যত্ন কৰিছিল, কিন্তু অসমত আহোম ৰাজত্ব সংস্কৃত ৰূপত (অৰ্থাৎ কৰদ ৰাজ্য ৰূপে) ৰাখিবলৈ যত্ন কৰি শেষত ফাঁচি কাঠত উঠিবলগীয়া হয়। তেওঁৰ ৰাজনীতিয়ে ভবিষ্যতৰ মধ্যবিত্ত জাতীয়তাবাদৰ বিকাশত প্ৰেৰণা যোগাইছিল। হলিৰামে 'আসাম বুৰঞ্জী'ত অসমৰ খাদ্য শস্য উৎপন্ন বৃদ্ধিৰ অৰ্থে বিবিধ মাহৰ খেতি কৰাৰ প্ৰয়োজনো অনুভৱ কৰিছিল। কিন্তু দুয়োজনৰে সামাজিক দৃষ্টিত জাত প্ৰথা-বিশিষ্ট সমাজ আৰু ধৰ্মীয় সংস্কৃতিয়েই ঘাই স্থান পাইছিল।

নতুন মধ্যবিত্ত শ্ৰেণীটোৰ উৎপত্তি বেলেগ ধৰণে হয়। এই

আদি কালত আমাৰ কেইজনমান মহৎ পুৰুষৰ ওপৰত কেইজনমান শিক্ষিত ইংৰাজ বিষয়াৰ প্ৰভাৱ অনস্বীকাৰ্য। ডিব্ৰুগড়ৰ দুৰলীয়া বিষয়া ইডেন চাহাবৰ প্ৰভাৱে অসম এছোচিয়েশ্যন, কলিকতাৰ অসমীয়া ছাত্ৰৰ সাহিত্য সভা আৰু শিৱসাগৰত প্ৰথম (১৮৮০) স্ত্ৰীশিক্ষাৰ স্কুল স্থাপন কৰোঁতা গঙ্গাগোবিন্দ ফুকনৰ (১৮৪১-১৯২৬) জীৱন কেনেকৈ গঢ় দিলে তাৰ কথা বৰ্ণাওঁতে জীৱনী-লেখক বেণুধৰ শৰ্মাদেৱে লেখিছে, "আনন্দ ৰাম ঢেকিয়াল ফুকনক জেন্‌কিন্‌ছ চাহাবে, মণিৰাম দেৱানক ডেভিড স্কট চাহাবে, হেমচন্দ্ৰ বৰুৱাক এগ্নিউ চাহাবে, যাদুৰাম বৰুৱাক কেপ্তেইন ৰেটছ চাহাবে, মৰম কৰাতকৈও গঙ্গাগোবিন্দ ফুকনক ইডেন চাহাবে বেছি মৰম কৰিছিল।"[১] ইংৰাজী পঢ়া সম্পৰ্কে অসমীয়া সম্ভ্ৰান্ত লোকসকলৰ আপত্তি আছিল। প্ৰধান আপত্তি আছিল হিন্দু ল'ৰাই ইংৰাজী পঢ়িলে খ্ৰীষ্টয়ান হ'ব পাৰে বুলি। গঙ্গাগোবিন্দৰ বাপেক কেশৱদেৱ নিজে শিক্ষক আৰু বৃটিছ চৰকাৰৰ বঁটাধাৰী হোৱা সত্ত্বেও প্ৰাচীন ব্ৰহ্মবিদ্যাৰ অনুৰাগী আৰু আহোম ৰাজত্বৰ গুণগ্ৰাহী আছিল। বেণুধৰ শৰ্মাৰ মতে "যুগ-যুগান্তৰ চলি অহা সামাজিক ৰীতি-নীতিৰ ডেওনা ডেই যাবলৈ তেওঁ ইমান ভয় কৰিছিল যে সংস্কাৰ বুলিলেই তেওঁ ভূত দেখাদি দেখিছিল। এই সংস্কাৰ বিৰোধী ভাৱেই তেওঁক ৫৭ ছালৰ ঘটনা সম্পৰ্কত এবাৰ ৰাজ-দণ্ডৰ শিকলি পিন্ধিবলগীয়া হৈছিল। বৃটিছৰ আদৰ্শ ভাৰতীয় সভ্যতাৰ পৰিপন্থী বুলি দেশৰ চকুৱালসকলে উচাপ খাই উঠি গোটেইখন তোলপাৰ লগাই দিছিল। তেওঁবিলাকে কৈছিল, 'আমাৰ স্বৰ্গ মহাৰজাৰ দিন হে দিন। তেওঁবিলাকৰ গৌৰৱহে "আমাৰ গৌৰৱ। ইংৰাজৰ গৌৰৱ কৰি তোমালোকে যি আনন্দ কৰিছা, সি সৰ্বনাশৰ মূল মাথোন।"[২]

---

১ গঙ্গাগোবিন্দ ফুকন, পৃঃ ৬

২ „ „ পৃঃ ৪

চাহাবসকলে অসমৰ পুৰণি মধ্যবিত্ত সংস্কৃতিৰ মূল ধাৰণা বা আদৰ্শ লৰাই দিলে। আৰম্ভণিতে তেওঁলোকে উন্নত কৌশলৰ অস্ত্র-শস্ত্র আৰু যুদ্ধৰীতিৰ সহায়ত মানসেনাৰ দ্বাৰা পৰ্যুদস্ত সেনাবাহিনীৰ উত্থানো অসম্ভৱ কৰিলে। ১৮২৮ চনৰপৰা ১৮৫৭ চনলৈকে অসমৰ বিদ্ৰোহীসকলে বিদ্ৰোহ কৰি সফলতা লাভ কৰিব নোৱাৰিলে। কালক্ৰমত বৃটিছে কলৰ জাহাজ আৰু ৰেলগাড়ী প্ৰৱৰ্তন (১৮৫৩) কৰিলে। পাইক প্ৰথা উঠাই দি আৰু খাজনা লগাই তেওঁলোকে আগৰ ৰজাৰ সতি-সন্ততি আৰু ডা-ডাঙৰীয়াসকলক ভাতে মাৰিলে আৰু ক্ষমতাশূন্য কৰিলে। আগতে অসমত হোৱা বাণিজ্যৰ খেতি, হস্তশিল্প, খোৱা বস্তুৰ উৎপাদন এইবোৰ মৰহিবলৈ এৰি দিলে; তাৰ ঠাইত অসমৰ লগত আন ৰাজ্যৰ অবাধ বাণিজ্য চলাৰ দিহা হ'ল। মণিৰাম দেৱানৰ দৰে লোক অসমত বহুত আছিল, যি সকলে ইংৰাজৰ দৰে অসমত শাসন বা চাহ খেতি কৰিব পাৰিলেহেঁতেন, কিন্তু বৃটিছে নিজে তাৰ ভাৰ হাতত ললে। অসমৰ যি মূলধন আছিল, তাৰ অপচয় হ'ল। লক্ষ্মীনাথ ব্ৰহ্মচাৰীৰ অপৰ্যাপ্ত সম্পত্তি হলিৰাম ঢেকিয়াল ফুকনৰ দিনত শেষ হ'ল।[৩] মণিৰাম দেৱানে মাটিত স্থায়ী বন্দৱস্তি কৰিবৰ বাবে যত্ন কৰিছিল আৰু কোম্পানীৰ এজেণ্টসকলৰ ওচৰত আবেদনো কৰিছিল। কিন্তু এই চেষ্টা সফল নহ'ল। সম্ভৱতঃ তেওঁ বঙ্গদেশৰ দৰে এটা জমিদাৰ শ্ৰেণী সৃষ্টি কৰাৰ কথা ভাবিছিল।[৪] বৃটিছে বঙ্গদেশৰ দৰে ইয়াত ৰাজহ আৰু ন্যায় শাসন প্ৰৱৰ্তন কৰিলে। সাধাৰণ প্ৰশাসন আৰু শিক্ষাৰ ক্ষেত্ৰতো তেওঁলোকে অভাবনীয় পৰিবৰ্তন সাধিলে। এইবোৰত তেওঁলোকে যিবোৰ মানুহ নিযুক্ত কৰিলে, তাৰ ওপৰ ভাগত ৰ'ল চাহাব, তলৰ ভাগত ৰ'ল শিক্ষিত বঙালী লোক। এই প্ৰবাসী বঙালী-সকলে বঙলা সাহিত্য, সঙ্গীত আৰু ধৰ্ম ইয়ালৈ আনিলে।

৩ আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত।

৪ মণিৰাম দেৱান

অসমৰ লগত দক্ষিণ-পূব এছিয়াৰ বা তিব্বত-চীনৰ যি বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্ক আছিল, সেইবোৰ বৃটিছে দুৱাৰবোৰ অধিকাৰ কৰাৰ লগে লগে বন্ধ হৈ গ'ল। বৃটিছ সাম্ৰাজ্যবাদী-সকলৰ প্ৰতিনিধি ডেভিড স্কট চাহাবে সামাজ্যবাদৰ অৰ্থনৈতিক লক্ষ্যৰ পৰিপূৰক হিচাপে খ্ৰীষ্টীয় ধৰ্ম প্ৰচাৰৰ বাবে পৰিকল্পনা কৰিলে।[৫] ইয়াৰ উদ্দেশ্য সম্ভৱতঃ য়ুৰোপৰ দৰে ভাৰত বা অসমতো এটা ধৰ্মসংস্কাৰ সাধি কুসংস্কাৰৰপৰা ব্যক্তিক মুক্তি দান কৰা। ৰেলেছলিয়ে আন কি স্কুলতো খ্ৰীষ্ট ধৰ্মৰ মূল নীতিবোৰ শিকাব লাগে বুলি দৃঢ়ভাৱে কৈছিল।[৬]

ইয়াৰ ফলত সামন্ত সমাজৰ ঘৰিষণা লৰিল। 'অৰুণোদয়'ত হিন্দু তীৰ্থসমূহৰ তীক্ষ্ণ সমালোচনা কৰা নিধি লিবাই ফাৰৱেল, বাইবেলৰ প্ৰথম অসমীয়া ভাঙনি কৰোতা আত্মাৰাম শৰ্মা, আৰু কটন কলেজিয়েট হাইস্কুলৰ এসময়ৰ হেডমাষ্টৰ সিন্ধুৰাম দাস এই সকল খ্ৰীষ্ট ধৰ্মত দীক্ষিত হৈছিল। মাকিন পাদুৰীসকলে এই নতুন ধৰ্ম প্ৰচাৰৰ বাবে অসমীয়া ভাষাকে মাধ্যম কৰি এই ভাষাক আধুনিক গদ্য আৰু পদ্যৰ বাহন কৰে—'অৰুণোদয়' (১৮৪৬) কাকতৰ যোগেদি। 'অৰুণোদয়' কাকতে অসমীয়া শিক্ষিতসকলৰ মনত আন্তৰ্জাতিক সাংস্কৃতিক চেতনা আনি দিয়ে আৰু ইংৰাজৰ সংস্কৃতিৰ প্ৰতি তেওঁলোকৰ মন আকৃষ্ট কৰে।

কিন্তু খ্ৰীষ্ট ধৰ্মই অসমীয়া সমাজৰ বেছি লোক আকৃষ্ট কৰিব নোৱাৰিলে। খ্ৰীষ্টীয় পাদুৰীসকলে খাচী, গাৰো, নগা আদি পৰ্বতীয়া জাতিবোৰৰ মাজতহে ধৰ্ম প্ৰচাৰ কৰি সফলতা লাভ কৰিলে। অসমীয়া শিক্ষিতসকলৰ মনত ইংৰাজী শিক্ষা, চাল-চলন, সাজ-পোছাক, ইংৰাজ চিন্তানায়ক আৰু সাহিত্যিকসকলৰ প্ৰভাৱহে অনুভৱ হ'ল।—

---

৫ David Scot

৬ Ibid-Page 177

সম্ভৱতঃ আনন্দৰাম ঢেকিয়াল ফুকন, গঙ্গাগোবিন্দ ফুকন, হেম চন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱা এওঁলোকৰ মাজেদিয়েই এই প্রভাৱবোৰ ভালদৰে প্রস্ফুটিত হ'ল।

আনন্দৰামৰ দদায়েক যজ্ঞৰাম খাৰঘৰীয়া ফুকন বহুত আগ-তেই ব্রাহ্মধর্মৰ প্রতি আকৃষ্ট হৈছিল আৰু য়ুৰোপীয় লোকৰ দৰে তেওঁ থাকিবলৈ ভাল পাইছিল। গুণাভিৰাম বৰুৱাই লেখিছে, "ফুকনৰ ঘৰৰ প্রতি কোনো কোনো লোকৰ এনে ভাৱ আছিল যে তেওঁ-বিলাকে ইংৰাজৰ দৰে ব্যৱহাৰ কৰে, এই কাৰণে জাতি সম্পর্কে হীনতা পাইছে। সাধাৰণতে উচ্চভাৱে ইংৰাজ কি মুছলমানে সৈতে ব্যৱহাৰ কৰিলে জাতি বিষয়ে হীনতা অনুমান হয়। এওঁবিলাকে ইংৰাজলোকে সৈতে সমকক্ষৰূপে ব্যৱহাৰ কৰিছিল আৰু কেতবিলাক দোষশূন্য বিদেশীয় আচাৰ আৰু বিদেশীয় বস্তু ব্যৱহাৰ প্রথমেই কৰে। যদ্যপি দেশৰ উচ্চ বংশৰে সৈতে এওঁবিলাকৰ কুটুম্বিতা, তথাপি লোকে ভিতৰুৱাকৈ দুর্নাম কৰিছিল।"[৭] আনন্দৰামে কলিকতাৰপৰা গুৱাহাটীলৈ ঘূৰি আহোতে শান্তিপুৰীয়া কলকিনাৰী ধুতি, মির্জাই চোলা, গাত এখন চাল, ভৰিত মোজা আৰু জোতা পিন্ধিছিল। জেনকিনচ চাহাবক দেখা কৰোঁতে পেণ্টুলন, চাপকণ আৰু টুপী পিন্ধি গৈছিল। ঘৰত দেশীয় মানুহক দেখা কৰিবলৈ ঢলা-বিছনাত তুলি-গাৰু দি এটুকুৰা বহা ঠাই কৰিছিল। চাহাবক দেখা কৰা কোঠালিৰ মেজ, মাচিয়া, কৌচ, কিতাপ ভৰা আলমাৰী, চিঠি থবৰ বাবে খাৰুৱা কাপোৰৰ দীঘল মোনা আদি থৈছিল। তেওঁ পাল্কীত উঠিছিল। আনহাতে শুৱালকুচীয়া তুতী সোণাৰিৰ হতুৱাই ঘৰৰ দেৱতা গোপালৰ বাবে যিটি সোণৰ কিৰীটি কৰাইছিল, সেইটি মহাৰাণী ভিক্টোৰীয়াৰ কিৰীটিৰ আহিত কৰিছিল। ফল্গুৎসৱত নতুন ধৰণে মজলিচবো দিহা কৰিছিল; পিছলৈ সেই মজলিচৰ

৭ আনন্দৰাম ঢেকিয়াল ফুকন, পৃঃ ৫৫-৫৬

অনুকৰণ কৰা বহুত অসমীয়া লোকো ওলাল। বিয়াৰ দিনা ফুকনে জৰীৰ বন কৰা পাইজামা আৰু আঙ্গা টুপী পৰিধান কৰি তামজাঙ্গ দোলাত আৰোহণ কৰি শহুৰৰ ঘৰলৈ গৈছিল; পূজাৰ সময়ত এই পোছাকৰ ঠাইত পাটৰ বস্ত্ৰ পিন্ধিছিল। প্ৰথাৰ বিপৰীতে হোমৰ গুৰিতো তেওঁ শহুৰেক ৰাজগুৰু ফুকনৰে সৈতে কথা-বতৰা হৈছিল।[৮]

বলৰাম ফুকনৰ বিবাহতে আনন্দৰামে ৰঙ্গপুৰৰপৰা বাইওৱালী জগঝম্প, গোৱালপাৰাৰপৰা নহবতখানা, বঙ্গালী ঢোল আৰু ঢাক অনোৱা হ'ল। অসমীয়া ঢুলীয়া, গায়ন-বায়ন, ওজা-পালি আৰু হাজোৱলীয়া প্ৰভৃতি বাজনা অনা হ'ল। ষোল দিন পৰ্যন্ত বিবাহৰ মজলিচৰ ধুমধাম চলিছিল। অনেক খাৰ বাজি হৈছিল। প্ৰায় গুৱাহাটীৰ ভৰলুমুখৰেপৰা ফাচী বজাৰলৈ 'বান্ধা ৰোসণাই' হৈছিল।

আনন্দৰামৰ দদায়েক যজ্ঞৰামে ৰাজাৰামমোহন ৰায়ৰপৰা উপদেশ আৰু শিক্ষা লাভ কৰিছিল। ৰাজাৰামমোহনে যি কেইজনৰ লগত প্ৰথমতে ব্ৰহ্মোপাসনা কৰিছিল, তাৰ ভিতৰত যজ্ঞৰামো আছিল। যজ্ঞৰামে কলিকতাত থাকি ইংৰাজী আৰু অন্যান্য শাস্ত্ৰ পঢ়ি ব্ৰাহ্ম ধৰ্মৰ প্ৰতি আকৃষ্ট হ'ল। খ্ৰীষ্টান হ'ল বুলি জনৰৱ উঠিল। ককায়েক হলিৰাম ঢেকিয়াল ফুকন চিন্তিত হৈ উঠিল। যজ্ঞৰামইতৰ ঊনবিংশ শতিকাৰ বিখ্যাত ভাৰতীয় সদাগৰ জগৎ শেঠৰ লগত কাৰ-বাৰ আছিল। যজ্ঞৰামে সংস্কৃত, বঙলা, ইংৰাজী, পাচী, আৰবী, ভুটীয়া, উৰ্দু প্ৰভৃতি ভাষা ভালকৈ জানিছিল। তেওঁৰ ধৰ্ম আৰু সামাজিক ভাৱ উদাৰ আছিল। কমিশ্যনাৰ কেপ্তেন জেনকিন্‌চ আৰু ডেপুটী কমিশ্যনাৰ মেথী চাহাব তেওঁৰ পৰম বন্ধু আছিল। ১৮৩৫ চনত গুৱাহাটীত ইংৰাজী আৰু বঙলা বিদ্যালয় স্থাপিত হয়। যজ্ঞৰামে তাৰ কাৰণে ধন আৰু সেৱা আগ বঢ়াইছিল।

---

৮ আনন্দৰাম ঢেকিয়াল ফুকন, পৃঃ 8৮-৫৭

আনন্দৰাম ঢেকিয়াল ফুকনেও উদাৰভাৱে বৈদিক ধৰ্মত বিশ্বাস কৰিছিল। তেওঁ খৃষ্টীয় পাদুৰীসকলৰ লগতো ধৰ্ম কথা আলোচনা কৰি এই মত গ্ৰহণ কৰিছিল। তেওঁ হিন্দুধৰ্ম মতে উৎসৱ আৰু সংস্কাৰবোৰ পালন কৰা সত্ত্বেও, গির্জালৈ যাবলৈয়ো কুণ্ঠিত নহৈছিল। তেওঁৰ মতে প্ৰাচীন ৰীতি পৰিত্যাগ কৰা আৰু খ্ৰীষ্টীয় ধৰ্মলৈ মন মেলা অনুচিত। তেওঁ কৈছিল, "যিজন জ্যোতিৰ্ময় সূৰ্যৰ অন্তৰাত্মা আৰু আমাৰ বুদ্ধিবৃত্তি পৰিচালন কৰিছে সেইজনক আমি চিন্তা কৰো।" তেওঁ আন ধৰ্মক নিঘিণাইছিল আৰু গোড়া নাছিল।

গুণাভিৰাম বৰুৱাই যজ্ঞৰামৰ আদৰ্শ অনুসৰণ কৰি ব্ৰাহ্মধৰ্মৰ প্ৰতি আকৃষ্ট হয় আৰু ১৮৭৯ চনত ধুবুৰীত হাকিমী কৰি থাকোঁতে এই ধৰ্ম গ্ৰহণ কৰে। তেওঁ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বঙ্গদেশত আৰম্ভ কৰা বিধবা বিবাহ আন্দোলনৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈ নিজেও বিধবাৰ দুঃখত কাতৰ হৈছিল। ১৮৭০ চনত তেওঁ আনন্দৰামৰ বন্ধু ৺পৰশু বৰুৱাৰ বিধবা পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ পাণি গ্ৰহণ কৰে আৰু ১৮৭২ চনৰ ৩ আইন মতে সেই চনৰ ডিচেম্বৰত গুৱাহাটীত বিবাহ পঞ্জীয়ন কৰে। অসমৰ ধৰ্ম আৰু সমাজ-সংস্কাৰত ই এটা ডাঙৰ পদক্ষেপ। ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰা সকলৰ ভিতৰত পিছৰ চামৰ কমলাকান্ত ভট্টাচাৰ্য আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ নাম উল্লেখযোগ্য। বেজবৰুৱাই শেহৰ ফালে মহাপুৰুষ শঙ্কৰদেৱৰ নাম ধৰ্মৰ পুনৰ ব্যাখ্যা আৰম্ভ কৰি অসমৰ মহাপুৰুষীয়া ধৰ্মৰ এটা নতুন ভাৱমূৰ্তি দান কৰে। কিন্তু সাধাৰণ অসমীয়া মানুহৰ মাজত এই সংস্কাৰবোৰৰ প্ৰভাৱ খুব গভীৰভাৱে নপৰিল। এই উদাৰ ব্যাখ্যাবোৰৰ বাস্তৱ ফলাফল মাথোন এটাই হ'ল, সেইটো হ'ল আন ধৰ্মমতৰ প্ৰতি সহনশীলতা আৰু ধৰ্মৰ তুলনামূলক চৰ্চা। বঙ্গদেশৰ নৱজাগৰণৰ প্ৰভাৱ আমাৰ মাজতো পৰিছিল আৰু কিছু লোকে সমাজৰ অযুক্তিকৰ ৰীতি-নীতিৰ বিৰুদ্ধে সাহসেৰে থিয়

দিছিল। তেজপুৰৰ লক্ষ্মীকান্ত বৰকাকতীও ব্ৰাহ্মধৰ্মত দীক্ষিত হৈছিল।

শিৱসাগৰৰ গঙ্গাগোবিন্দ ফুকন আৰু ঢেকিয়াল ফুকন আদিয়ে ইংৰাজী গ্ৰন্থৰ পাঠ কৰি নতুন ভাব গ্ৰহণ কৰিছিল। এইবোৰৰ ভিতৰত আধুনিক শিক্ষা, স্ত্ৰী-শিক্ষা, গোড়ামি বৰ্জন আৰু দৰ্খাস্ত বা আবেদনৰ যোগেদি সমাজৰ দাবী শাসকসকলৰপৰা আদায় কৰা আদি প্ৰধান।

এওঁলোকতকৈ হেমকোষ আৰু 'কোৰা-ভাতুৰী'ৰ ৰচক স্বনামধন্য হেমচন্দ্ৰ বৰুৱাই অলপ সুকীয়া পথ লৈছিল। তেওঁ সমসাময়িক কুসংস্কাৰাচ্ছন্ন ধৰ্ম আৰু নৈতিকতাৰ অৱনতিৰ বিৰুদ্ধে ৰঙ্গসাহিত্য ৰচনা কৰিছিল। বিধবা বিবাহৰ ওকালতি কৰিছিল আৰু যুক্তিনিষ্ঠ দৰ্শনৰ পোষকতা কৰিছিল। তেওঁ কৈছিল যে তাল, মাল, ফোট আৰু হোমৰ ছাই এইবোৰ সকলো বাহিৰৰ বস্তু, তাত পতিয়ন নাই। কনকলাল বৰুৱাই হেমচন্দ্ৰ বৰুৱাৰ ধৰ্মমতৰ বিষয়ে এইদৰে লেখিছে "কোনো লোকে তেওঁৰ ধৰ্মমতৰ কথা সুধিলে কয়, 'মই agnostic। হিন্দুৰ সাংখ্য দৰ্শনতেই ঈশ্বৰ মনা নাই।' এই কথা তেওঁ অনেকক কোৱা দেখা গৈছিল। তেওঁৰ মনত নীতি আৰু ধৰ্ম একে আছিল। যাৰে নৈতিক চৰিত্ৰ ভাল, সেয়ে ধাৰ্মিক—তাকে তেওঁ বুজিছিল। ভণ্ডামি মুঠেই সহ্য কৰিব নোৱাৰিছিল। তেওঁৰ যেনে বিশ্বাস, তেনে কাৰ্য কৰিবলৈ অলপো সংকোচ নকৰিছিল। কোনো সাম্প্ৰদায়িক ধৰ্মমতলৈ তেওঁৰ বিশ্বাস আছিল বুলি একেবাৰে ক'ব নোৱাৰি। তেওঁৰ খোৱা-লোৱাত কোনো বিচাৰ নাছিল। প্ৰকাশ্যে শূদিৰৰ হাতে ভাত খাইছিল, কাকো নিঘিণাইছিল। ১৮৯৬ চনত প্ৰায় ৬০ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। গোড়া হিন্দু সমাজৰপৰা আঁতৰ হৈ থকা বুলিও তেওঁৰ গুণবোৰ নাপাহৰি কেইজনমান ভদ্ৰ বংশৰ ব্ৰাহ্মণে কঠোৰ শাসনলৈ ভয় নকৰি তেওঁৰ শৱ সৎকাৰ কৰিছিল।"

এই যুক্তিনিষ্ঠ জীৱন দৰ্শনৰ লগতে তেওঁৰ আন এটা লক্ষ্য কৰিবলগীয়া গুণ আছিল চাকৰিৰ পদোন্নতি লৈ বাঞ্ছা নকৰি জ্ঞানৰ সাধনাত ব্ৰতী হোৱাটো। তেওঁক একষ্ট্ৰা এছিষ্টেণ্ট কমিশ্যনাৰ কৰিবৰ বাবে বৃটিছ বিষয়া এজনে যত্ন কৰিছিল। কিন্তু তেওঁ সেই পদ গ্ৰহণ নকৰি কেৰাণী হৈয়েই থাকিল।

হেমচন্দ্ৰ বৰুৱাৰ দৰে যুক্তিনিষ্ঠবাদী লোক তেওঁৰ পাছত নোলাল। কমলাকান্ত ভট্টাচাৰ্যই তেওঁৰ কঃ পন্থাত জাতিভেদৰ অন্যায়ৰ বিৰুদ্ধে যুক্তিসম্মত প্ৰতিবাদ কৰি গৈছে। তেওঁৰ মোহ আছিল বৈদিক ধৰ্মৰ উদাৰ ব্যাখ্যাৰ প্ৰতি।

লক্ষ্মীনাথ বেজবৰুৱা অসমৰ সাহিত্যনায়ক ৰূপে জনাজাত, কিন্তু ধৰ্মমতত তেওঁ হেমচন্দ্ৰ বৰুৱাৰ দৰে অনীশ্বৰবাদী নাছিল। তেওঁ ধৰ্ম সংস্কাৰৰহে পক্ষপাতী আছিল।

এইবিলাক ধৰ্ম সংস্কাৰৰ প্ৰভাৱ অসমীয়া সাহিত্যত আওপকীয়া-ভাৱেও পৰিছিল। যোৱা এশ বছৰৰ সাহিত্য সাধনাৰ ডাঙৰ-ফল হ'ল ধৰ্মৰ প্ৰভাৱৰপৰা সাহিত্যৰ ক্ৰম-মুক্তি। অকল সাহিত্যই নহয়, চিত্ৰ কলা, ৰঙ্গমঞ্চ, নৃত্য, সঙ্গীত সকলোবোৰতে এই সুৰ ধ্বনিত হয়। ধৰ্ম নিৰপেক্ষ মানৱতাৰ এটা আদৰ্শ শ্ৰেষ্ঠ সাহিত্য-বোৰত পোৱা যায়। পদ্মনাথ গোহাঞিবৰুৱাই শ্ৰীকৃষ্ণক মহামানৱ ৰূপে চিত্ৰিত কৰাৰ প্ৰয়াস এই নতুন সুৰৰে পৰিচায়ক। যোৱা এশ বছৰৰ হাস্যৰসাত্মক সাহিত্য—হেমচন্দ্ৰ বৰুৱাৰ 'কোৱা-ভাতুৰী'ৰ-পৰা মহীচন্দ্ৰ বৰাৰ গল্পবোৰলৈকে উন্নত ভাবৰ ব্যঙ্গ সাহিত্য অধ্যয়ন কৰিলে এই সত্য আমাৰ মনত স্পষ্ট হৈ উঠে।

মহাত্মা গান্ধীৰ নেতৃত্বৰ আগতে অসম এছোচিয়েশ্যন আৰু তাৰো আগত সাধাৰণ সংস্কাৰৰ যুগ আছিল। এই যুগত সামাজিক ক্ষেত্ৰত বৃটিছ বিষয়াসকলৰ আচাৰ-ব্যৱহাৰ, যাতায়াতৰ বৃদ্ধি, খ্ৰীষ্টান ধৰ্ম আৰু বঙ্গদেশৰ সংস্কাৰ আন্দোলনৰ প্ৰভাৱত কিছুমান অসমীয়া চাকৰিয়াল আৰু ব্যৱসায়ীয়ে নতুন অসমীয়া মধ্যবিত্ত